# সুকন্যা

দে ও ব ৰী য়া

নিয়মীয়া বাৰ্তা ❒ দেওবাৰ, ৩ নৱেম্বৰ ২০২৪ www.niyomiyabarta.com



ভিতৰৰ পৃষ্ঠাত

❒ বঙাইগাঁৱৰ বিষ্ণুপুৰ সত্ৰ
❒ তিনিচুকীয়াৰ মন্দিৰা বৰুৱাৰ জীৱন গঢ়াৰ সংগ্ৰামী যাত্ৰা
❒ ডিব্ৰুগড়ৰ ৰুণা ৰফিকৰ চাংসাৰিত স্বাৱলম্বনৰ সংগ্ৰাম
❒ গল্প ঃ শ্লীপিং পিল
❒ ৰেচিপি ঃ কালাকান্দ, বেচনৰ লাড়ু
❒ উজ্জ্বল দাগবিহীন ছালৰ টিপ্‌ছ


...**প্লাজমা** পদাৰ্থ বিজ্ঞান বিষয়টো সম্প্ৰতি যথেষ্ট গুৰুত্বপূৰ্ণ। সাম্প্ৰতিক সময়ত ব্যৱহাৰিক ক্ষেত্ৰতো ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সেয়ে স্বাভাৱিকভাৱেই বিষয়টোক লৈ শিক্ষাৰ্থীসকলে যথেষ্ট আগ্ৰহী হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ অসমৰ বিজ্ঞান শিক্ষাৰ্থীসকলৰ মাজত ইয়াক লৈ বৃদ্ধি পাইছে উৎসুকতা। ইতিমধ্যে গুৱাহাটীৰ পাৰ্শ্বৱৰ্তী সোণাপুৰত স্থাপিত হৈছে 'চেণ্টাৰ ফৰ প্লাজমা ফিজিক্স'। ইয়াত কেৱল প্লাজমা বিষয়ক লৈ বিস্তৃত অধ্যয়ন-গৱেষণা ইতিমধ্যে চলি **আছে...**

# প্লাজমাৰ সহায়ত চলিছে বিকল্প শক্তি আহৰণৰ অভিযান

## বিশিষ্ট বিজ্ঞানী ড° জয়ন্তী চুতীয়া



**প্লাজমা** পদাৰ্থ বিজ্ঞান ক্ষেত্ৰখনৰ সৈতে যুক্ত এগৰাকী অসম কন্যা। দেশৰ লগতে জাপান, জাৰ্মানীকে ধৰি বিশ্বৰ কেইবাখনো আগশাৰীৰ ৰাষ্ট্ৰত বিজ্ঞানী হিচাপে অধ্যয়ন-গৱেষণা চলাই ইতিমধ্যে আৰ্জিছে আন্তৰ্জাতিক খ্যাতি। প্লাজমা পদাৰ্থ বিজ্ঞানক মূল বিষয় হিচাপে লৈ গৱেষণা চলোৱা এইগৰাকী স্বনামধন্য মহিলাই বিভিন্ন পৰিৱেশ-পৰিস্থিতিৰ মাজেৰে আগবাঢ়ি আজি সফল। তেওঁৰ অধীনত বহু শিক্ষাৰ্থীয়ে গৱেষণা সম্পন্ন কৰি আৰ্জিছে সুনাম। ভাৰত চৰকাৰৰ উচ্চস্তৰৰ গৱেষণা প্ৰতিষ্ঠান আইএএছএছটিৰ সঞ্চালক হিচাপে তেওঁ অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ পিছতো তেওঁ যুক্ত আছে গৱেষণা-অধ্যয়নৰ কামত। সমান্তৰালভাৱে নিৰ্মাণ কৰি আছে চিনেমা। বেহেলাবাদনৰো বিশাৰদ এইগৰাকী বিজ্ঞানী। তেওঁৰ জন্ম শিৱসাগৰৰ আমগুৰিত। ব্যতিক্ৰমীভাৱে বিদ্যালয়ৰ পৰিৱৰ্তে প্ৰথম শ্ৰেণীৰ পাঠ গ্ৰহণ কৰিছিল তেওঁৰ শিক্ষক পিতৃ-মাতৃৰ ওচৰত নিজ ঘৰত। পোনে পোনে দ্বিতীয় শ্ৰেণীতহে তেওঁ নামভৰ্তি কৰিছিল বিদ্যালয়ত। দেশ-বিদেশৰ বহু বৰণীয় বিজ্ঞানীৰ সান্নিধ্য আৰু নিজৰ ঐকান্তিক প্ৰচেষ্টাৰে অসমৰ নাম উজলোৱা সেই মহিলা বিজ্ঞানীগৰাকী ড° জয়ন্তী চুতীয়া। এইগৰাকী প্লাজমা বিজ্ঞানী ড° চুতীয়াৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰ—

■ **আপুনি মূলতঃ এগৰাকী প্লাজমা পদাৰ্থ বিজ্ঞানী। কেনেদৰে আগবাঢ়ি এইক্ষেত্ৰত আপুনি সু-প্ৰতিষ্ঠিত হ'ল? এই সামগ্ৰিক যাত্ৰা সম্পৰ্কত অলপ ক'ব নেকি?**

ঃ মোৰ আজিৰ যি অৱস্থিতি, তাৰ আঁৰত আছে শৈশৱৰ প্ৰচেষ্টা-কচৰৎ। তাৰ বাবে উভতি চাব লাগিব মোৰ অতীতৰ শৈশৱকাললৈ। দৰাচলতে মোৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল শিৱসাগৰৰ আমগুৰিৰ ঘৰখনত। বিদ্যালয়ৰ পৰিৱৰ্তে ঘৰতে শিক্ষাগ্ৰহণ এটা ব্যতিক্ৰমী কথা। কিন্তু মোৰ ক্ষেত্ৰত সেয়াই হৈছিল। সেয়া ১৯৫৬ চনৰ কথা। মোৰ দেউতা প্ৰয়াত সোণাৰাম চুতীয়া আছিল 'আমগুৰি বয়জ হাইস্কুল'ৰ প্ৰধান শিক্ষক। আনহাতে, মা প্ৰয়াত কুঞ্জলতা চুতীয়া আছিল আমগুৰি ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। মা-দেউতা যিহেতু দুয়োগৰাকীয়েই শিক্ষক, সেয়ে তেওঁলোকৰ তত্বাৱধানত মই আমাৰ ঘৰতেই প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিলোঁ। এয়া তেতিয়াৰ সময়ৰ আহ্বান বুলিয়েই ক'ব লাগিব। কাৰণ সেই সময়ত আজিৰ দৰে উন্নত সা-সুবিধা থকা শিক্ষাৰ অনুষ্ঠান-পৰিৱেশ নাছিল বুলিয়ে ক'ব লাগিব। মই পোনে পোনে দ্বিতীয় শ্ৰেণীত নামভৰ্তি কৰিছিলোঁ। বিদ্যালয়খন হাতীগড় প্ৰাথমিক বালিকা বিদ্যালয়। প্ৰাথমিক-মাধ্যমিক শিক্ষা সাং কৰি ১৯৬৩ চনত আমগুৰি বালিকা হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰিছিলোঁ। একেটা বৰ্ষতে মই কটন কলেজত পি ইউ (বিজ্ঞান)ত নামভৰ্তি কৰোঁ। ১৯৬৭ চনত কটন কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত সন্মানসহ বিএছচি উত্তীৰ্ণ হওঁ। পুনৰ ১৯৬৯ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত এমএছচি ডিগ্ৰী সম্পূৰ্ণ কৰিছিলোঁ। ইয়াৰ পিছত ১৯৭১ৰ পৰা ১৯৭৬ চনলৈ দুলীয়াজান মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞান বিভাগত প্ৰবক্তা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলোঁ। মাজতে ইউজিচিৰ পৰা ফেল'শ্বিপ লাভ কৰি পিএইচডিৰ বাবে গৱেষণা কৰিছিলোঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত। ইয়াৰ উপৰি ১৯৮১ৰ পৰা ১৯৮৩ চনলৈ চিএছআইআৰৰ অধীনত পোষ্ট ডক্টৰেল ফেল'শ্বিপ লৈ গৱেষণা কৰিছিলোঁ। ইয়াৰ পিছত ১৯৮৩ৰ পৰা ১৯৮৫ চনলৈ আহমেদাবাদত অৱস্থিত 'ফিজিকেল ৰিছাৰ্চ লেবৰেটৰী'ত 'প্লাজমা ফিজিক্স প্ৰ'গ্ৰাম'ত পৰীক্ষামূলক প্লাজমা গৱেষণাৰ 'ভিজিটিং ছাইণ্টিষ্ট' হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলোঁ। পৰৱৰ্তী সময়ত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত অৱস্থিত ভাৰত চৰকাৰৰ উচ্চ গৱেষণা প্ৰতিষ্ঠান 'ইনষ্টিটিউট অৱ এডভান্সড ষ্টাডী ইন ছায়েঞ্চ এণ্ড টেকন'লজী' চমুকৈ আইএএছএছটিৰ প্লাজমা লেবৰেটৰীত 'ৰিছাৰ্চ এছ'চিয়েট' হিচাপে যোগদান কৰিছিলোঁ। ইয়াৰ পিছত একেটা প্ৰতিষ্ঠানতে ১৯৮৬ৰ পৰা ১৯৯২ চনলৈ সহকাৰী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলোঁ প্লাজমা বিষয়ত। ইয়াৰ উপৰি জাপানৰ 'ইনষ্টিটিউট অৱ স্পেচ এণ্ড এষ্ট্ৰ'নটিকেল ছায়েঞ্চ'ৰ আমন্ত্ৰণক্ৰমে ১৯৮৮ চনত প্ৰায় এবছৰ কাল 'ভিজিটিং ছাইণ্টিষ্ট' হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলোঁ। অসমলৈ উভতি আহি ১৯৯২ৰ পৰা ২০০০ চনলৈ পুনৰ 'আইএএছএছটি'ত 'সহকাৰী অধ্যাপক' হিচাপে কাৰ্যনিৰ্বাহ। ইয়াৰ উপৰি জাৰ্মানীৰ 'খ্ৰীষ্টিয়ান এলব্ৰেইখট ইউনিভাৰ্ছিটী'ৰ আমন্ত্ৰণক্ৰমে তাত ১৯৯৭ চনত 'ইণ্ডো-জাৰ্মানী এক্সচেঞ্জ প্ৰ'গ্ৰাম'ৰ অধীনত ভিজিটিং ছাইণ্টিষ্ট হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলোঁ। ইয়াৰ পিছত আকৌ আইএএছএছটিত 'প্লাজমা ফিজিক্স' বিভাগৰ অধ্যাপক আৰু মুৰব্বী হিচাপে প্ৰায় ৫ বছৰ কাল কাৰ্যনিৰ্বাহ। আইএএছএছটি.ত ২০০৫ বৰ্ষত সঞ্চালক পদত যোগদান। ২০১২ চনত উক্ত পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিলোঁ। এনেদৰে একেবাৰে শৈশৱৰ পৰা নানা পৰিৱেশ-পৰিস্থিতিৰ মাজেৰে আগবাঢ়ি শেষৰ পিনে প্লাজমা পদাৰ্থ বিজ্ঞানক মূল চৰ্চাৰ কেন্দ্ৰ হিচাপে গ্ৰহণ কৰিলোঁ। আৰু আজিও তাতেই নিমজ্জিত হৈ আছোঁ। মোৰ অধীনত 'প্লাজমা ফিজিক্স' বিষয়ত ২০গৰাকী ছাত্ৰই গৱেষণা কৰি সফল হৈছে। লগতে কেইবাগৰাকীয়ে 'প'ষ্ট ডক্টৰেল' আৰু ৰিছাৰ্চ এছ'চিয়েট হিচাপে অধ্যয়ন-গৱেষণা কৰিছিলোঁ। এনে কেইবাগৰাকী শিক্ষাৰ্থী সম্প্ৰতি দেশৰ লগতে বিদেশতো প্ৰতিষ্ঠিত। এগৰাকী শিক্ষক হিচাপে এয়া মোৰ বাবে গভীৰ প্ৰশান্তি আৰু প্ৰাপ্তি।





■ **সাধাৰণ পাঠকে বুজি পোৱাকৈ ক'বলৈ হ'লে 'প্লাজমা'ৰ ধাৰণাটো কি?**

ঃ গোটা, জুলীয়া আৰু ভাপ বা বাষ্প— পদাৰ্থৰ এই তিনিটা অৱস্থাৰ কথা আমি সকলোৱে জানো। কিন্তু পদাৰ্থৰ চতুৰ্থ অৱস্থাৰ কথা সাধাৰণভাৱে গৰিষ্ঠসংখ্যকৰেই অজানা। আৰু পদাৰ্থৰ চতুৰ্থ অৱস্থাটোৱেই হ'ল প্লাজমা। পদাৰ্থৰ এই প্লাজমা কণিকাসমূহ আধান (Charge)যুক্ত হিচাপে থাকে। অৱশ্যে ইয়াৰ কিছু 'নিউট্ৰেল' কণিকাও থাকে।

■ **প্লাজমা পদাৰ্থ বিজ্ঞানৰ শেহতীয়া ন-ন গৱেষণাই নিতৌ সৃষ্টি কৰিছে নতুন দিগন্ত। নিশ্চিতভাৱে ই আশাৰ বতৰা। কিন্তু ইয়ে মানৱ সভ্যতাক কিদৰে প্ৰভাৱিত অথবা উপকৃত কৰিছে?**

ঃ প্লাজমা পদাৰ্থ বিজ্ঞানে শেহতীয়াভাৱে ব্যাপক উন্নতি লভিছে। যাৰ বাবে সূচিত হৈছে নিত্য নতুন দিগন্ত। প্লাজমাৰ বিকাশ-উন্নয়ন মানৱ সভ্যতাৰ বাবে নিশ্চিতভাৱে আশাৰ বতৰা। প্লাজমা পদাৰ্থ বিজ্ঞানৰ ন-ন আৱিষ্কাৰে মেটেৰিয়েল, ইলেক্ট্ৰ'নিক্স আদিৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগাইছে। সামগ্ৰিকভাৱে বিশ্বত শক্তিৰ সংকটৰ সময়ত জোৰা মাৰিব পৰাকৈ প্লাজমাৰ সহায়ত বিকল্পভাৱে শক্তি আহৰণ কৰিবলৈ প্ৰচেষ্টা চলি আছে। অৰ্থাৎ প্লাজমাৰ সহায়ত শক্তি আহৰণৰ প্ৰচেষ্টা চলাই থকা হৈছে। আৰু ই বহুক্ষেত্ৰত সফলো হৈছে। ইয়ে বহু সময়ত চমৎকাৰিত্বও প্ৰদৰ্শন কৰিছে। চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰতো প্লাজমাৰ প্ৰয়োগে অনন্য দিশৰ সূচনা কৰিছে। সূৰ্যৰ অন্তৰ্ভাগত কি আছে অথবা ইয়াৰ ৰশ্মিক লৈ যি অধ্যয়ন বা গৱেষণা চলাই থকা হৈছে, তাতো প্লাজমাৰ প্ৰয়োগে চমকপ্ৰদ সাফল্য প্ৰদৰ্শন কৰা পৰিলক্ষিত হৈছে। পৃথিৱীৰ বায়ুমণ্ডলৰ অতি উচ্চ অৱস্থাত থকা আয়ন'স্ফিয়েৰৰ জ্ঞান আহৰণ কৰাৰ ক্ষেত্ৰতো প্লাজমাৰ ব্যৱহাৰে যথেষ্ট সুফল প্ৰদান কৰিছে। ব্যৱহাৰিক ক্ষেত্ৰত লো অথবা অন্য কঠিন ধাতৱ পদাৰ্থ কাটিবলৈ বা গলাবলৈ প্লাজমাৰ প্ৰয়োগ অত্যন্ত ফলদায়ক হৈ পৰিছে। এনেদৰে মানৱ সভ্যতাৰ নানা প্ৰায়োগিক ক্ষেত্ৰত প্লাজমাৰ ব্যৱহাৰ অত্যন্ত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। মহাকাশ গৱেষণাৰ ক্ষেত্ৰতো প্লাজমাৰ যথেষ্ট ভূমিকা আছে।

■ **প্লাজমা পদাৰ্থ বিজ্ঞানৰ অধ্যয়নৰ প্ৰতি অসমৰ নৱপ্ৰজন্ম কিমান আকৃষ্ট হৈছে? শিক্ষাৰ্থীয়ে বিষয়টোক লৈ কৰা অধ্যয়ন-গৱেষণা সম্পৰ্কত কিছু কথা ক'ব নেকি?**

ঃ প্লাজমা পদাৰ্থ বিজ্ঞান বিষয়টো সম্প্ৰতি যথেষ্ট গুৰুত্বপূৰ্ণ। সাম্প্ৰতিক সময়ত ব্যৱহাৰিক ক্ষেত্ৰতো ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সেয়ে স্বাভাৱিকভাৱেই বিষয়টোক লৈ শিক্ষাৰ্থীসকলে যথেষ্ট আগ্ৰহী হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ অসমৰ বিজ্ঞান শিক্ষাৰ্থীসকলৰ মাজত ইয়াক লৈ বৃদ্ধি পাইছে উৎসুকতা। ইতিমধ্যে গুৱাহাটীৰ পাৰ্শ্বৱৰ্তী সোণাপুৰত স্থাপিত হৈছে 'চেণ্টাৰ ফৰ প্লাজমা ফিজিক্স'। ইয়াত কেৱল প্লাজমা বিষয়ক লৈ বিস্তৃত অধ্যয়ন-গৱেষণা ইতিমধ্যে চলি আছে। আকৌ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত অৱস্থিত আইএএছএছটি শীৰ্ষক ভাৰত চৰকাৰৰ উচ্চ বিজ্ঞান গৱেষণা প্ৰতিষ্ঠানতো অন্য বিষয়ৰ সৈতে প্লাজমা পদাৰ্থ বিজ্ঞান বিষয়টো গুৰুত্বসহকাৰে অধ্যয়ন-গৱেষণা চলাই থকা হৈছে। ইতিমধ্যে এই প্ৰতিষ্ঠানখনত প্লাজমা পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে পূৰ্বতে মই সেৱা আগবঢ়াইছিলোঁ। সেই সময়ত বহু শিক্ষাৰ্থীক মই পাঠদান কৰিছিলোঁ। গৱেষণা কাৰ্যত সহায় কৰিছিলোঁ। ইয়াৰ উপৰি গুৱাহাটী বিশ্ববিদ্যালয় তথা কেইখনমান কলেজতো প্লাজমা পদাৰ্থ বিজ্ঞানৰ তাত্ত্বিক বিষয়ত অধ্যয়ন চলি আছে। উল্লিখিত শৈক্ষিক প্ৰতিষ্ঠানৰ জৰিয়তে প্লাজমা পদাৰ্থ বিজ্ঞানৰ সংশ্লিষ্ট শিক্ষাৰ্থীসকল উপকৃত হৈছে। আমাৰ ৰাজ্যৰ বাবে এয়া আশাব্যঞ্জক বতৰা। প্লাজমা বিষয়ক লৈ অসমৰ বহু শিক্ষাৰ্থীয়ে পি এইচ ডি সম্পূৰ্ণ কৰিছে। তদুপৰি বহিঃৰাষ্ট্ৰৰ কেইবাখনো উন্নত বিশ্ববিদ্যালয়ত অসমৰ শিক্ষাৰ্থীয়ে এতিয়াও শিক্ষা গ্ৰহণ কৰাৰ লগতে গৱেষণাও চলাই আছে।

■ **গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত অৱস্থিত আই এ এছ এছ টি বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ এটা উচ্চস্তৰীয় গৱেষণা প্ৰতিষ্ঠান। ভাৰত চৰকাৰৰ অধীনৰ এইটো উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে একমাত্ৰ। অসম চুক্তিৰ আধাৰত প্ৰতিষ্ঠিত এই গৱেষণা প্ৰতিষ্ঠানটোত আপুনি সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰিছিল। প্ৰতিষ্ঠান সম্পৰ্কত অলপ ক'ব নেকি?**

ঃ আইএএছএছটি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত এটা উচ্চ পৰ্যায়ৰ গৱেষণা প্ৰতিষ্ঠান। গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ইয়াৰ অৱস্থিতি। অসম বিজ্ঞান সমিতিৰ লগতে ড° অনিল কুমাৰ গোস্বামী, ড° কিশোৰী মোহন পাঠক, ড° জ্যোতি মেধিৰ লগতে স্বনামধন্য উপাচাৰ্য, শিক্ষাবিদ, বিজ্ঞানী আদিকে লৈ কেইবাগৰাকী বিশিষ্ট লোক, অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত উক্ত প্ৰতিষ্ঠানটি স্থাপন কৰা হৈছিল। নোবেল সন্মানপ্ৰাপক ডৰথি হডস্কিনৰ হতুৱাই প্ৰতিষ্ঠানটিৰ গৃহৰ প্ৰথম লাইখুঁটা স্থাপন কৰা হৈছিল। ড° সৰ্বেশ্বৰ বুজৰবৰুৱাৰ পৃষ্ঠপোষকতাত প্ৰতিষ্ঠানখনত প্লাজমা পদাৰ্থ বিজ্ঞানৰ বিভাগটো খোলা হৈছিল। সম্প্ৰতি প্ৰতিষ্ঠানখনত প্লাজমা পদাৰ্থ বিজ্ঞানৰ লগতে অন্য সকলো বিভাগৰে পৰ্যাপ্ত আন্তঃগাঁথনি আছে। যাৰ বাবে প্ৰতিষ্ঠানখনৰ গৱেষণাৰ মান যথেষ্ট বৃদ্ধি হৈছে। ইমান উচ্চস্তৰীয় বিজ্ঞান গৱেষণা প্ৰতিষ্ঠান স্থাপন হোৱাটো ৰাজ্যবাসীৰ বাবেই গৌৰৱৰ কথা। প্ৰতিষ্ঠানখনত অসমৰ উপৰি দেশৰ ভিন্ন প্ৰান্তৰ গৱেষক-শিক্ষাৰ্থীয়ে অধ্যয়ন-গৱেষণা চলাই আছে। অসমৰ উপৰি দেশৰ বিভিন্ন ঠাইৰ অতি মেধাসম্পন্ন বিজ্ঞানী-অধ্যাপকসকলে যোগদান কৰি আহিছে।

■ **সাধাৰণ শ্ৰেণীৰ ৰাইজৰ মাজত বিজ্ঞান মানসিকতা অতি প্ৰয়োজন। যাৰ অভাৱত আজিৰ দিনতো অসমৰ কিছু অঞ্চলত ডাইনী হত্যাৰ দৰে দুৰ্ভাগ্যজনক ঘটনা ঘটি আছে। এতিয়া সাধাৰণ ৰাইজৰ মাজত বৈজ্ঞানিক ধ্যান-ধাৰণা গঢ় দিবলৈ উমৈহতীয়াভাৱে আমি কি কৰা উচিত? যাৰ জৰিয়তে সকলো স্তৰৰ লোক বিজ্ঞানমনস্ক হ'ব পাৰিব।**

ঃ হয়, অসমৰ কিছু অঞ্চলত ডাইনী হত্যাৰ দৰে অন্ধবিশ্বাসৰ ঘটনা আৰু অন্য কু-সংস্কাৰ সময়ে সময়ে সংঘটিত হৈ আহিছে। এয়া দুৰ্ভাগ্যজনক কথা। এনে ঘটনা সাধাৰণতে শিক্ষাৰ অভাৱ থকা ভিতৰুৱা অঞ্চলসমূহত সংঘটিত হোৱা দেখা যায়। এনে অঞ্চলসমূহত পুৰণি প্ৰথা, অদৃশ্য শক্তি আদিৰ প্ৰতি বিশ্বাসী। যাৰ বাবে ঠায়ে ঠায়ে দুৰ্ভাগ্যজনকভাৱে ডাইনী কাণ্ডৰ বলি হৈ বহু লোকৰ মৃত্যু হৈছে। এইক্ষেত্ৰত এনে এলেকাৰ লোকৰ মাজত শিক্ষা আৰু বৈজ্ঞানিক ধ্যান-ধাৰণাৰ প্ৰচাৰ হোৱা উচিত। সৰু সৰু পৰীক্ষা প্ৰদৰ্শন কৰি বৈজ্ঞানিক চিন্তাধাৰাৰে প্ৰকৃত সত্যক বিশ্লেষণ কৰি দেখুৱাব পাৰি। অন্ধবিশ্বাস আঁতৰাই বৈজ্ঞানিক দৃষ্টিভংগীৰে সাধাৰণ ৰাইজক বুজাব পাৰি। বিজ্ঞানক জনপ্ৰিয় কৰি সৰ্বসাধাৰণ ৰাইজৰ মাজত প্ৰচাৰ কৰিব লাগিব।

■ **অসমত বিজ্ঞান শাখাত তুলনামূলকভাৱে শিক্ষাৰ্থীৰ হাৰ কম। কথাটো হয়নে? এইক্ষেত্ৰত আপোনাৰ মতামত জনাব নেকি?**

ঃ অসমত বিজ্ঞান শাখাত ছাত্ৰ-ছাত্ৰীৰ হাৰ তুলনামূলকভাৱে কম। বহুতে ঢুকি নোপোৱা বিষয় হিচাপে জ্ঞান কৰে বিজ্ঞানক। তদুপৰি বিজ্ঞান-অংক শিক্ষা আহৰণৰ ক্ষেত্ৰত আমাৰ কিছুসংখ্যক শিক্ষানুষ্ঠানত প্ৰয়োজনীয় আন্তঃগাঁথনিৰো অভাৱ পৰিলক্ষিত হয়। বহু শিক্ষানুষ্ঠানত নাই প্ৰয়োজনীয় পৰীক্ষাগাৰ। বিজ্ঞান-অংকৰ বাবে পৈণত শিক্ষকৰো অভাৱ দেখা যায়। এনেদৰে কেইবাটাও কাৰকৰ বাবে অসমত বিজ্ঞান শিক্ষাৰ প্ৰসাৰ যথেষ্ট সীমিত হৈ আছে। এইক্ষেত্ৰত বিজ্ঞান শিক্ষকৰ প্ৰতি শিক্ষাৰ্থীৰ আগ্ৰহ বৃদ্ধি কৰিবলৈ বিশেষ পদক্ষেপ লোৱা দৰকাৰ।



■ **এতিয়া আপুনি অৱসৰী জীৱন অতিবাহিত কৰি আছে। এইক্ষেত্ৰত আপোনাৰ মনোভাব ক'ব নেকি?**

ঃ ২০১২ চনত আইএএছএছটিৰ সঞ্চালক পদৰ পৰা মই অৱসৰ গ্ৰহণ কৰিছিলোঁ। অৱসৰ গ্ৰহণ কৰাৰ পাছতো প্লাজমা পদাৰ্থ বিজ্ঞানৰ বাবে ডি এছ টিৰ অধীনত কেইবাটাও প্ৰকল্প সম্পূৰ্ণ কৰিছোঁ। মোৰ অধীনত কেইবাগৰাকীয়ে পি এইচ ডি সম্পূৰ্ণ কৰিছে। পোষ্ট ডক্টৰেল ফেল'শ্বিপ লৈ গৱেষণা কৰিছে। ইয়াৰ উপৰি গৱেষণাৰ লগতে অৱসৰৰ পিছত মই ছবি নিৰ্মাণত মনোনিৱেশ কৰিছোঁ। ইতিমধ্যে 'ক'ভিড'ক বিষয় হিচাপে লৈ 'হাৰিকেন' শীৰ্ষক এখন চুটি ছবি নিৰ্মাণ কৰিছোঁ। কাহিনী আৰু প্ৰযোজনা মোৰ। আধা ঘণ্টা দৈৰ্ঘ্যৰ ছবিখনে কাঁ আন্তৰ্জাতিক চিনেমা বঁটা, টেগৰ আন্তঃৰাষ্ট্ৰীয় চিনেমা বঁটাকে ধৰি ১৯টা আন্তঃৰাষ্ট্ৰীয় সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। এতিয়া 'ঝংকাৰ' নামৰ আন এখন পূৰ্ণ দৈৰ্ঘ্যৰ চিনেমাৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। কাহিনী-প্ৰযোজনা মোৰ। পৰিচালনা হেমচন্দ্ৰ বৰাৰ। ইয়াৰ উপৰি এখন আত্মজীৱনী লিখি আছোঁ।

■ **জানিব পৰা মতে আপুনি সংগীত চৰ্চাও কৰে। অলপ ক'ব নেকি?**

ঃ দৰাচলতে গান শুনি মই বহুত ভাল পাওঁ। সংগীতৰ প্ৰতি এক আকৰ্ষণ নিশ্চিতভাৱে আছে। সেই সূত্ৰে মই বেহেলাত বিশাৰদ পাছ কৰিছোঁ। প্ৰখ্যাত বেহেলাবাদক মিনতি খাউণ্ডৰ অধীনত বেহেলা শিকিছিলোঁ।

■ **অসমত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ শিক্ষাৰ মান সম্পৰ্কত আপোনাৰ মতামত জনাব নেকি?**

ঃ অসমত বিজ্ঞান গৱেষণাক পেছ হিচাপে লোৱা লোকৰ সংখ্যা কম। আইএএছএছটি তথা চেণ্টাৰ ফৰ প্লাজমা ফিজিক্স আদিৰ দৰে উন্নত গৱেষণা প্ৰতিষ্ঠান তথা আইআইটি গুৱাহাটী তথা বিশ্ববিদ্যালয়সমূহৰ গৱেষণা-অধ্যয়ন কাৰ্যই অৱশ্যে অসমৰ বিজ্ঞান শিক্ষাৰ মান কিছু হ'লেও উন্নত কৰিছে বুলি ধাৰণা কৰিছোঁ।

■ **আপুনি সাক্ষাৎ পোৱা কিছুসংখ্যক বিশিষ্ট বিজ্ঞানীৰ নাম ক'ব নেকি?**

ঃ কৰ্মসূত্ৰে মই দেশ-বিদেশৰ ভালেসংখ্যক বিশিষ্ট বিজ্ঞানীৰ সাক্ষাৎ লাভ কৰিছোঁ। তাৰ ভিতৰত কেইগৰাকীমান হ'ল ড° এ পি জে আব্দুল কালাম, অধ্যাপক পি কে কও, পি আই জন, ৰাই নাকামুৰা (জাপান), এলেকজেণ্ডাৰ পিয়েল (জাৰ্মানী), ৰাই, ৰাং (আমেৰিকা) আদি।

■ **আপুনি ভালেকেইখন কিতাপো লিখিছে। সেই সম্পৰ্ক কি ক'ব?**

ঃ মই বিজ্ঞান তথা অন্য বিষয়ক লৈ কিতাপ লিছিছোঁ। কোনো এক বন্দৰত, বাছ'ৰ হাইকু ভ্ৰমণ, ৰেড ইণ্ডিয়ানৰ দেশত, কুৰি শতিকাৰ পদাৰ্থ বিজ্ঞান, শিল্পীৰ দৃষ্টিত জীৱন আৰু জগত, নিভৃত আলাপ, আৱিষ্কাৰৰ সাধনা, আইজাক নিউটন, বিজ্ঞান চৰ্চাৰ দোকমোকালিৰ পৰা কুৰি শতিকালৈ আদিকে ধৰি ২৫খনৰো অধিক গ্ৰন্থ ৰচনা কৰিছোঁ।


সাক্ষাৎগ্ৰহণ ঃ নৱ কুমাৰ শৰ্মা
ফোন ঃ ৯৯৫৪৫-৯০১৩৩
ফটো ঃ দিব্যজ্যোতি ৰাভা

সুকন্যা
দেওবৰীয়া
দেওবাৰ, ৩ নৱেম্বৰ ২০২৪

আমাৰ ঐতিহ্য



# বঙাইগাঁৱৰ বিষ্ণুপুৰ সত্ৰ

**সেৰাৰ বস্তুবোৰ বিষ্ণুপুৰৰ সত্ৰতে সংৰক্ষিত আছে। বিষ্ণুপুৰ সত্ৰত এটা সুন্দৰ যাদুঘৰ সাজি তাত গুৰু দুজনাৰ খৰম, কীৰ্তন, দশম, ভাগৱত, নামঘোষা, বৰগীত আদিৰ সাঁচিপতীয়া পুথি, লাখুঁটি, মালা, চতুৰ্ভুজ মূৰ্তি, চতুৰ্ভুজ ঠাকুৰৰ বিছনা, গুৰুজনাৰ পদশিলা আদি সংৰক্ষিত কৰা আছে। বিষ্ণুপুৰ সত্ৰৰ সত্ৰাধিকাৰ প্ৰাঞ্জল অধিকাৰী। নামঘৰীয়া ৰঞ্জিত কুমাৰ ৰায়ে মূলতঃ সত্ৰখনৰ মূল পৰিচালক। স্থানীয় ৰাইজৰ সহযোগত তেওঁ সত্ৰখন সুন্দৰকৈ পৰিচালনা কৰি আছে আৰু ধৰ্মীয় ৰীতি-নীতি, নাম-প্ৰসংগ আদি কৰি আছে...**

ড° হৰিচৰণ দাস

**মহাপুৰুষ** শ্ৰীমন্ত শংকৰদেৱে তীৰ্থ ভ্ৰমণ কৰা কালত যিবোৰ ঠাইত ৰৈছিল বা নিশা যাপন কৰিছিল, তেনে কিছুমান ঠাইত একোখন থান বা সত্ৰ হৈছিল। গুৰুজনাই য'লৈকে গৈছিল তাতেই তেওঁ বিপুল সমাদৰ লাভ কৰিছিল। ৰাইজৰ অকুণ্ঠ মৰম আৰু শ্ৰদ্ধাৰ চিনস্বৰূপে গুৰুজনাৰ পদৰেণু ৰঞ্জিত এনে ঠাইৰ ৰাইজে সেই স্মৃতি সুঁৱৰি পৰম আনন্দ অনুভৱ কৰে। বৰ্তমানৰ বঙাইগাঁও জিলাৰ বিষ্ণুপুৰ, সাঁকোমূৰা বা কদমতলা আদি তেনে একোখন ঠাই, য'ত গুৰুজনে দ্বিতীয়বাৰ তীৰ্থ যাত্ৰা কৰি আহোঁতে জিৰণি লৈছিল। গুৰুজনে দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ যাওঁতে খোজকাঢ়ি গৈছিল যদিও আহোঁতে কোচবিহাৰৰ পৰা নাৱেৰে আহিছিল। এনেদৰে আহি থাকোঁতে তেওঁ বৰ্তমানৰ তামৰঙা বিল পাইছিলহি। বঙাইগাঁও জিলাৰ তামৰঙা বিলৰ সৌন্দৰ্য অনন্য। ব্ৰহ্মপুত্ৰৰ সৈতে কনৰা বিল আৰু জুনজনীয়া বিলেৰে সংলগ্ন তামৰঙা বিলৰ পানীৰ ৰং তাম বৰণীয়া দেখাৰ বাবেই ইয়াৰ নাম হৈছিল তামৰঙা। তামৰঙা বিলৰ অপাৰ সৌন্দৰ্যৰ কথা শুনি ব্ৰহ্মপুত্ৰ হেনো মুগ্ধ হৈছিল আৰু এক কিংবদন্তি মতে ব্ৰহ্মপুত্ৰই তামৰঙাক বিয়া কৰাবলৈ মনস্থ কৰিছিল। নদীদেৱ ব্ৰহ্মপুত্ৰই সাজি-কাচি তামৰঙা বিলত যেতিয়া প্ৰৱেশ কৰিছিল, তেতিয়া তামৰঙা দেৱীয়ে হেনো কাপোৰ ধুই আছিল। ব্ৰহ্মপুত্ৰই আহি তেওঁকে সুধিছিল— 'মা তামৰঙা ক'ত থাকে?' বোধিনীৰূপী তামৰঙাই সুধিছিল— 'কিয় লাগে?' ব্ৰহ্মপুত্ৰই কৈছিল— 'মই তেওঁক বিয়া কৰাবলৈ আহিছোঁ'। তেতিয়া তামৰঙাই কৈছিল— 'ময়েই তামৰঙা! সঁচাকৈ আপুনি দেৱপুৰুষ ব্ৰহ্মপুত্ৰ?' 'হয়'— ব্ৰহ্মপুত্ৰই কৈছিল। 'তেনেহ'লে মোক আপুনি নিশ্চয় বিয়া কৰাব পাৰে। আপোনাক স্বামী হিচাপে পোৱাটো মোৰ বাবে পৰম সৌভাগ্যৰ কথা।' কিন্তু ব্ৰহ্মপুত্ৰই তেতিয়া লজ্জাবোধ কৰি কৈছিল— 'মই আপোনাক মা বুলি মাতিলোঁ! গতিকে কেনেকৈ আপোনাক মই বিয়া কৰাব পাৰোঁ, ওহো, মই আপোনাক বিয়া কৰোৱাটো অসম্ভৱ। মই এতিয়া উভতি যাওঁগৈ। বিধিয়ে মোক তামৰঙাৰ সৈতে বিয়া পাতিবলৈ দিয়া নাই।'

ব্ৰহ্মপুত্ৰৰ কথা শুনি তামৰঙা অতি হতাশ হ'ল। তেওঁ ব্ৰহ্মপুত্ৰক কাকুতি-মিনতি কৰিবলৈ ধৰিলে আৰু ক'লে— 'আপুনি ভুলবশতঃ মোক মা বুলি মাতিছে। সেইটোনো কি কথা! মই নাৰী, আপুনি পুৰুষ। আপুনি মোক বিয়া কৰাব পাৰে।' তামৰঙাৰ কথা শুনি ব্ৰহ্মপুত্ৰৰ খং উঠিল আৰু ক'লে— 'তুমি বৰ চঞ্চলা। আজিৰ পৰা তুমি ৰূপ-গুণ হেৰুৱাবা।' ব্ৰহ্মপুত্ৰৰ অভিশাপত তামৰঙাই ৰূপ-গুণ হেৰুৱালে। তেওঁ ব্ৰহ্মপুত্ৰক আকৌ কাকুতি-কৰিলে— 'আপোনাৰ শাপ অথলে নাযায়। কিন্তু মোক মুক্তিৰ বাট দি যাওক।' ব্ৰহ্মপুত্ৰই তেতিয়া ক'লে— 'কলিকালত এজন ভাগৱতবেত্তা মহাপুৰুষে তোমাক স্পৰ্শ কৰিব আৰু তেতিয়াই তুমি মুক্তি পাবা।' এই কাহিনী অনুসৰি মহাপুৰুষ শংকৰদেৱে তামৰঙা বিলত তীৰ্থযাত্ৰা কৰি উভতি অহাৰ বাটত প্ৰৱেশ কৰিছিল আৰু তামৰঙাই পুনৰ ৰূপ-গুণ ঘূৰাই পাই মুক্তি লাভ কৰিছিল। গুৰুজনাই ব্ৰহ্মপুত্ৰৰ বুকুৰেদি উজাই আহিছিল আৰু কনৰা বিল হৈ তামৰঙাত প্ৰৱেশ কৰিছিল। কনৰা বিলৰ



যিটো ঘাটত গুৰুজনে নাও বান্ধিছিল আৰু জিৰণি লৈ ভকত সমন্বিতে শাস্ত্ৰ আলোচনা কৰিছিল, সেই ঠাইখিনিৰ নাম কদমতলা। সেই ঘাটত কদম গছ আছিল আৰু তাৰ তলতে গুৰুজনাই মহাপুৰুষ মাধৱদেৱ প্ৰমুখ্যে ভকতসকলৰ সৈতে জিৰণি লৈছিল। এই ঠাইখিনিত 'কদমতলা থান' নামে স্থানীয় ৰাইজে থান পাতি আৰু গুৰুৰ পদৰেণু ৰঞ্জিত ঠাইৰূপে সংৰক্ষণ কৰে। গুৰুজনে এই ঘাটৰ পৰা তামৰঙা বিলৰ এপৰমান বাট আগবাঢ়ি আহি এখন সত্ৰ থাপনা কৰে। এই সত্ৰখনৰ নাম ঘৰশিঁয়া সত্ৰ। সেই সময়ত ঘৰশিঁয়া সত্ৰৰ কাষেদি এখন নদী আছিল, যিখন নদীয়ে পিছলৈ সুঁতি সলনি কৰি আন ঠাইৰে বৈ গৈছিল। সেইবাবে বৰ্তমানৰ ঘৰশিঁয়া সত্ৰৰ কাষত কোনো নদী নাই, কিন্তু নৈ বৈ যোৱা চাপ আছে। 'ঘৰশিঁয়া' শব্দৰ ব্যুৎপত্তিগত অৰ্থ হৈছে খেৰ-লতাৰে শিয়নি দিয়া ঘৰ। সেই সময়ত এই অঞ্চলত খেৰ, বাঁহ আৰু শিয়নি লতাৰ অভাৱ নাছিল। অকলে নৈৰ পাৰৰ পৰা খেৰ কাটি আনি, বাঁহ-কাঠেৰে সত্ৰ, নামঘৰ আৰু ভকতসকলৰ বাহা সাজিছিল। গুৰুজনাই ইয়াত বেছি দিন থকা নাছিল যদিও তেওঁ পঢ়া পুথি-পাঁজিৰ প্ৰতিলিপি কৰি স্থানীয় ভকত-সজ্জনে সংৰক্ষিত কৰি ৰাখিছিল আৰু সেয়া অধ্যয়নো কৰিছিল। শংকৰদেৱে এই সত্ৰখনৰ দায়িত্ব পুৰুষোত্তম ঠাকুৰক দি থৈ যায়। পুৰুষোত্তম ঠাকুৰৰ পিছত চতুৰ্ভুজ ঠাকুৰে এই সত্ৰৰ অধিকাৰ হয়। কিন্তু তেওঁ অধিকাৰ হৈ থকা সময়তে মিৰজুমলাই অসম আক্ৰমণ কৰিবলৈ আহে। মোগল সেনাপতি মিৰজুমলাই সেই সময়ৰ মঠ-মন্দিৰ, সত্ৰ আদিতো আক্ৰমণ চলাইছিল আৰু ধন-সম্পত্তি লুটি লৈ গৈছিল। মিৰজুমলাৰ আক্ৰমণৰ সময়ছোৱাতে ভালেমান সত্ৰৰ বিলুপ্তি ঘটে। কাৰণ এহাতে নিপীড়ন আৰু আনহাতে পৃষ্ঠপোষকতাৰ অভাৱত এনে সত্ৰৰ ভকতসকলে সত্ৰ




এৰি যাবলৈ বাধ্য হয়। যিবোৰ সত্ৰৰ ভকত সমাজ ডাঙৰ বা শক্তিশালী আছিল, তেনেবোৰ সত্ৰ কোনোমতে বৰ্তি থাকে। মিৰজুমলাই ঘৰশিঁয়া সত্ৰৰ অধিকাৰ চতুৰ্ভুজ ঠাকুৰকো আটক কৰি লৈ যায়। সেই সময়ত মিৰজুমলাই বৰ্তমানৰ ধুবুৰী জিলাৰ পাণবাৰীত বাহৰ পাতি আছিল। এই পাণবাৰীত মিৰজুমলাই সজা মছজিদ আজিও বিদ্যমান। মিৰজুমলাৰ নিপীড়নৰ পৰা উদ্ধাৰ কৰিবলৈ ভক্তসকল একত্ৰিত হয় আৰু তেওঁলোকে নিজৰ মাজৰ পৰা ধন সংগ্ৰহ কৰি মিৰজুমলাক সোণ আৰু ৰূপৰ টোপোলা ভেটী দি চতুৰ্ভুজ ঠাকুৰক মোকলাই আনে। চতুৰ্ভুজ ঠাকুৰে মুকলি হৈ আহি ঘৰশিঁয়া সত্ৰ বৰ্তমানৰ বিষ্ণুপুৰলৈ স্থানান্তৰিত কৰে। সেই সময়ত ঘৰশিঁয়া অঞ্চলত বন্যজন্তুৰ উপদ্ৰৱ আছিল। সম্ভৱতঃ সত্ৰ স্থাপন কৰাৰ পাছততে ঠাইখনৰ নাম বিষ্ণুপুৰ দিয়া হৈছিল। সত্ৰৰ সকলো সাঁচিপতীয়া পুথি, গুৰুজনাৰ খৰম, লাখুঁটি, জপমালা, পদশিলা আদি এই নতুন সত্ৰত সুৰক্ষিত কৰা হৈছিল। পুথিসমূহৰ ভিতৰত দশম, কীৰ্তন, গুণমালা, ভক্তি ৰত্নাৱলী, ভাগৱত, বৰগীত আদিৰ এক বিশাল সংগ্ৰহ আছিল, যিবোৰ বিষ্ণুপুৰ সত্ৰত বৰ্তমানো সংৰক্ষিত। উল্লেখ্য যে কোনো কোনো বিশিষ্টজনৰ মতে মিৰজুমলাৰ আক্ৰমণৰ উমান পাই চতুৰ্ভুজ ঠাকুৰে এই সম্পদৰাজি মধুপুৰ সত্ৰৰ পৰা আনিছিল। তেওঁ ঠিকেই অনুমান কৰিছিল যে মিৰজুমলাই সত্ৰ আক্ৰমণ কৰিব। কিন্তু ঘৰশিঁয়াৰ দৰে দুৰ্গম (সেই সময়ৰ পৰিপ্ৰেক্ষিতত) স্থানত থাকিও মিৰজুমলাৰ আক্ৰমণৰ পৰা সত্ৰ ৰক্ষা নপৰিল। সেই সময়ত বিজনী ৰাজ্যৰ ৰজা আছিল মুকুন্দ নাৰায়ণ। মুকুন্দ নাৰায়ণে চতুৰ্ভুজ ঠাকুৰক পৃষ্ঠপোষকতা আগবঢ়ায় আৰু ভূমি দান কৰে। সেই সময়ত অবিভক্ত গোৱালপাৰা বা পশ্চিম অসমৰ ৰাজ্যবোৰ কোচ ৰজাসকলৰ শাসনত আছিল। মোগলৰ কৰতলীয়া হ'লেও তেওঁলোকে সনাতন ধৰ্মৰ অনুষ্ঠানবিলাক ৰক্ষা কৰিবলৈ যত্নপৰ আছিল। বিজনীৰ ৰজাৰ পৃষ্ঠপোষকতাত বিষ্ণুপুৰ সত্ৰ ঠন ধৰি উঠে। আনহাতে ঘৰশিঁয়া সত্ৰ এৰাবাৰীত পৰিণত হয়। কিন্তু সেই বুলি ঘৰশিঁয়া সত্ৰ একেবাৰে নিশ্চিহ্ন হৈ যোৱা নাছিল। গুৰুজনাৰ ভেটিৰূপে কাষৰ ৰাইজে ইয়াত সেৱা-সৎকাৰ কৰি চাকি-বন্তি জ্বলাই আহিছিল। গুৰুজনাৰ দিনৰ কুঁৱা, দৌলগৃহ আদি সুৰক্ষিত কৰি ৰাখিছিল। সত্ৰখনত সত্ৰাধিকাৰ বা পুথি-পাঁজি নাথাকিলেও ৰাইজৰ শ্ৰদ্ধাৰ অনুষ্ঠানৰূপে ই বৰ্তি থাকিল। বৰ্তমান ৰাইজৰ প্ৰচেষ্টাত আৰু চৰকাৰৰ সহযোগত সত্ৰখন পুনৰ উজলি উঠিছে। সত্ৰখনৰ নামঘৰ, মণিকূট, দৌলগৃহ, ভকতৰ বহা, চৌপাশৰ বেৰ আদি সুন্দৰকৈ নিৰ্মাণ কৰা হৈছে আৰু এজন সত্ৰাধিকাৰো নিয়োগ কৰা হৈছে। গছপুলি ৰোপণেৰে চৌহদটো সেউজ কৰি তোলা হৈছে। পাহাৰ আৰু বননিৰে আৱৰা সত্ৰখনৰ পৰিৱেশ অতি সুন্দৰ। অৰণ্য সুৰক্ষা সমিতিয়ে ইয়াত সাঁচিপুলি ৰোপণ কৰি আহিছে। সত্ৰখনৰ মুঠ মাটিকালি আঠ বিঘা।

সেৰাৰ বস্তুবোৰ বিষ্ণুপুৰৰ সত্ৰতে সংৰক্ষিত আছে। বিষ্ণুপুৰ সত্ৰত এটা সুন্দৰ যাদুঘৰ সাজি তাত গুৰু দুজনাৰ খৰম, কীৰ্তন, দশম, ভাগৱত, নামঘোষা, বৰগীত আদিৰ সাঁচিপতীয়া পুথি, লাখুঁটি, মালা, চতুৰ্ভুজ মূৰ্তি, চতুৰ্ভুজ ঠাকুৰৰ বিছনা, গুৰুজনাৰ পদশিলা আদি সংৰক্ষিত কৰা আছে। বিষ্ণুপুৰ সত্ৰৰ সত্ৰাধিকাৰ প্ৰাঞ্জল অধিকাৰী। নামঘৰীয়া ৰঞ্জিত কুমাৰ ৰায়ে মূলতঃ সত্ৰখনৰ মূল পৰিচালক। স্থানীয় ৰাইজৰ সহযোগত তেওঁ সত্ৰখন সুন্দৰকৈ পৰিচালনা কৰি আছে আৰু ধৰ্মীয় ৰীতি-নীতি, নাম-প্ৰসংগ আদি কৰি আছে। আনহাতে ঘৰশিঁয়া সত্ৰৰ সত্ৰাধিকাৰ হৈছে দ্বিপেন পাঠক। সত্ৰখনৰ মূল গুৰি ধৰোঁতা, বিশিষ্ট সমাজকৰ্মী উমেশ ৰায়। তেওঁ সত্ৰ পৰিচালনা সমিতিৰ সভাপতি। সম্পাদক বাবুল ৰায় সফল ডেকা। পেছাত এজন খেতিয়ক। কদমতলা থানৰ পাঠক বাসুদেৱ ৰায়। ঘৰশিঁয়া সত্ৰ, বিষ্ণুপুৰ সত্ৰ আৰু কদমতলা থানে বঙাইগাঁও জিলাৰ মহাপুৰুষ শংকৰদেৱৰ বৈষ্ণৱ আন্দোলনক আজিও যেন বিধৌত কৰি ৰাখিছে। নাম-কীৰ্তন, প্ৰসংগ, থিয়নাম, আইসকলৰ নাম, বৰগীত, ভটিমা আদিৰ চৰ্চাৰে সেই গুৰুজনাৰ সময়ৰে পৰা ইয়াত এখন ভকত সমাজ বৰ্তি আছে। তিনিখন থান আৰু তিনিটা বিলে অঞ্চলটোৰ বৰ্ণময় সংস্কৃতি আৰু প্ৰকৃতি সমৃদ্ধ কৰি ৰাখিছে। তামৰঙা বিলৰ অপূৰ্ব শোভাই পৰ্যটকসকলক যিদৰে মুগ্ধ কৰে, ঘৰশিঁয়া, বিষ্ণুপুৰ সত্ৰ আৰু কদমতলা থানে ভকত-বৈষ্ণৱসকলক ভকতি ৰসেৰে আপ্লুত কৰে। গ্ৰাম্য পৰ্যটনৰ ক্ষেত্ৰত এই সত্ৰকেইখনে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।

ফোন ঃ ৯৪৩৫১-২৫৮২২

---



শূন্যৰ পৰা শিখৰলৈ

**প্ৰথমে খোজ কাঢ়ি কাঢ়ি ঘৰত পিঠা-পনা-লাডু বনাই মানুহৰ ঘৰে ঘৰে বিক্ৰী কৰিছিল। পিঠা-পনা তৈয়াৰ কৰিবলৈ তেওঁ কোনোবা গোটত সোমাই লৈছিল। গোটৰ পৰা টকা ধাৰ কৰি সামগ্ৰী ক্ৰয় কৰিছিল। লাহে লাহে বিহু, ঘৰত সকাম-নিকাম পাতিলে মানুহে অৰ্ডাৰ দি পিঠা-পনা কিনে। মন্দিৰাৰ ব্যৱসায় লাহে লাহে আগবাঢ়িল, খোজ কাঢ়ি কাঢ়ি কিমান ঘূৰিব, গতিকে এইবাৰ এখন চাইকেল কিনাৰ মনস্থ কৰিলে। চাইকেল কিনি পিঠা-পনাৰ ব্যৱসায়টো অলপ দূৰলৈ প্ৰসাৰ কৰিলে, এখন বজাৰ ল'বলৈ সক্ষম হ'ল...**



# তিনিচুকীয়াৰ মন্দিৰা বৰুৱাৰ জীৱন গঢ়াৰ সংগ্ৰামী যাত্ৰা

অলকানন্দা শ্ৰীকুমাৰী কাকতী

**মন্দিৰা** বৰুৱা। তিনিচুকীয়া চহৰৰ সকলোৰে বাবে এটা পৰিচিত নাম। সকলোৱে চিনি পায় তেওঁক। মন্দিৰা বৰুৱাৰ পৌৰসভাৰ এলেকাত 'হাঁচতি' নামৰ এখন দোকান আছে। সেই দোকানত অসমীয়া মানুহে ব্যৱহাৰ কৰা প্ৰায় বস্তু পায়। বিভিন্ন পিঠা-পনা, খাৰলি-পানীটেঙা, নানা জলপান, সান্দহ, পিঠাগুড়ি, মুড়ি, চিৰা, দৈ যি বিচাৰে সকলো পোৱা যায়। তাত গামোচা, চেলেং, টঙালি ইত্যাদিও পোৱা যায়। অসমীয়াৰ সংস্কৃতিৰ ভঁৰাল যেন 'হাঁচতি'। এই 'হাঁচতি' দোকানখন পোৱালৈকে তেওঁ কিমান সংগ্ৰাম কৰিছিল সেয়া বহুতেই নাজানে।

প্ৰথমে খোজ কাঢ়ি কাঢ়ি ঘৰত পিঠা-পনা-লাডু বনাই মানুহৰ ঘৰে ঘৰে বিক্ৰী কৰিছিল। পিঠা-পনা তৈয়াৰ কৰিবলৈ তেওঁ কোনোবা গোটত সোমাই লৈছিল। গোটৰ পৰা টকা ধাৰ কৰি সামগ্ৰী ক্ৰয় কৰিছিল। লাহে লাহে বিহু, ঘৰত সকাম-নিকাম পাতিলে মানুহে অৰ্ডাৰ দি পিঠা-পনা কিনে। মন্দিৰাৰ ব্যৱসায় লাহে লাহে আগবাঢ়িল, খোজ কাঢ়ি কাঢ়ি কিমান ঘূৰিব গতিকে এইবাৰ এখন চাইকেল কিনাৰ মনস্থ কৰিলে। চাইকেল কিনি পিঠা-পনাৰ ব্যৱসায়টো অলপ দূৰলৈ প্ৰসাৰ কৰিলে, এখন বজাৰ ল'বলৈ সক্ষম হ'ল। মই লগ পাই সুধিছিলোঁ— ব্যৱসায় কেনে চলিছে? চলি আছে বাইদেউ। চাইকেল মাৰি মাৰি ঘূৰি তোমাৰ বৰ কষ্ট হয় নেকি? কষ্টতো হয়েই মন্দিৰাই কৈছিল— বাইদেউ এই জগতত এনে কোনো ডাঙৰ সমস্যা নাই যিটো ইচ্ছা শক্তিতকৈ ডাঙৰ হ'ব নোৱাৰে। মন্দিৰাই প্ৰবল ইচ্ছা শক্তি, প্ৰচেষ্টা কঠোৰ সিদ্ধান্তক প্ৰয়োগ কৰি নিজৰ ভাগ্যক সলনি কৰি শিখৰলৈ আহিছিল।

মাজতে পিঠা-পনাৰ লগে লগে ফুলৰ খেতিও কৰিছিল। আনৰ মাটিত, চৰকাৰৰ পৰি থকা মাটিত তাতো বহুত কষ্ট গ'ল। ফুলৰ খেতিত লাভৱান হ'ব নোৱাৰিলে। তাৰ পাছত আৰম্ভ কৰিলে কাঠফুলাৰ খেতি। দোকানে দোকানে কাঠফুলাৰ পেকেট দি ঘূৰি ফুৰোঁতে চিন্তা কৰিলে— এখন স্কুটাৰৰ প্ৰয়োজন। গোটৰ পৰা ধাৰ লৈ ব্যৱসায়টো ভালদৰে চলাবলৈ সিদ্ধান্ত ল'লে। মন্দিৰাৰ এই সিদ্ধান্ত সংকল্প শক্তিৰ দৰেই হ'ল। ইয়েই হ'ল তেওঁৰ আন্তৰিক দৃঢ়তা, স্থিৰতা আৰু একাগ্ৰতাৰ সমন্বিত ৰূপ। গতিকে মন্দিৰাই তিনিচুকীয়াৰ ব্যৱসায়ৰ বজাৰখনত ধীৰে ধীৰে সোমাই পৰিল। ব্যৱসায়ৰ সকলো কথা বুজি উঠিল। তিনিচুকীয়াৰ ব্যৱসায় বজাৰ দখল কৰা ইমান সহজ কথা নাছিল, বহু সমস্যাই জুমুৰি দি ধৰিছিল— সমস্যা আৰু নানা বিপৰ্যয় আওকাণ কৰি নিজ ব্যৱসায় আগুৱাই নিছিল। কেতিয়াবা লগ পালে সোধো— ব্যৱসায় কেনেদৰে চলিছে? সদায় ইতিবাচক উত্তৰ পাওঁ। মন্দিৰাই কয়— বাইদেউ সদায় পৰিৱেশৰ সৈতে মিলি থাকিব লাগিব। বজাৰতো এটা পৰিৱেশ আছে, কেতিয়াবা বজাৰতো উত্থান-পতন চলি থাকে, আমাৰ জীৱন পৰিক্ৰমাৰ দৰে সদায় একে নাথাকে। ব্যৱসায়ত লেনদেন কৰিলেহে গম পাব কিমান জটিল। মন্দিৰাৰ উত্তৰ শুনি মোৰ মনলৈ আহে— এগৰাকী মহিলাই চৰম সাফল্য লাভ কৰিব পাৰে, যেতিয়া তেওঁ আত্মসচেতনতাৰ উচ্চ পৰ্যায়লৈ যায়।

এদিন হঠাতে গাড়ী এখনৰ পৰা নামি ক'লে— বাইদেউ গাড়ী এখন ল'লোঁ। আপোনালোকৰ আশীৰ্বাদত। মই তেতিয়া ক'লোঁ— আমাৰ আশীৰ্বাদ নহয়— তোমাৰ কষ্টৰ ফল। তোমাৰ পৰম ধৈৰ্য, নিজৰ কঠোৰ সিদ্ধান্তই তোমাক শিখৰলৈ লৈ গৈছে। ভাবিলে আচৰিত লাগে, যিজনী ছোৱালীয়ে খোজ কাঢ়ি কাঢ়ি মানুহৰ ঘৰে ঘৰে পিঠা-পনা বিক্ৰী কৰি ফুৰিছিল আজি সেইজনী ছোৱালীৰ এখন সুন্দৰ প্ৰতিষ্ঠিত দোকান আছে, তিনিচুকীয়া চহৰৰ মাজ মজিয়াত এখন বজাৰ আছে, নিজে সচ্ছলভাৱে চলি আছে, ঘৰখন, পৰিয়ালটো সুন্দৰভাৱে চলি গৈছে। পৰিয়ালৰ সৈতে সহযোগিতা আৰু সদ্ভাৱৰ এক অনন্য উদাহৰণ।

ইমানখিনি আগবঢ়াৰ আন এক উদাহৰণ— আত্মসহায়ক গোট। চৰকাৰে যি আত্মসহায়ক গোট সৃষ্টি কৰিলে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। মহিলা সবলীকৰণৰ ই এক পৰম হাতিয়াৰ। বৰ্তমান উন্মুক্ত সত্য এটাই যে মহিলা সবলীকৰণত আত্মসহায়ক গোটৰ অৱদান। ই মহিলাসকলৰ প্ৰেৰণাৰ স্ৰোত। মন্দিৰা বৰুৱাৰ শিক্ষাগত অৰ্হতা উচ্চ মাধ্যমিক পৰ্যন্ত। কিন্তু শিক্ষাগত অৰ্হতা আচল কথা নহয়। যাৰ মাজত শৌৰ্য, সাহসৰ দৰে গুণ আছে, তেওঁলোকেই উৎসাহ, সহযোগিতাৰ মাধ্যমেৰে তেওঁলোকৰ প্ৰকৃতি বিকশিত কৰি তুলিব পাৰে। মন্দিৰা বৰুৱাই নিজকে গঢ়ি তোলাৰ লগে লগে আন দহগৰাকী মহিলাকো গঢ়ি তোলাত সহায় কৰিছে। আচলতে যিসকল ধৈৰ্যশীলা ব্যক্তি তেওঁলোকে নিজ বাহুবলেৰে জীৱন নৌকা টানি লৈ যায়, তেওঁলোকে যিদৰে নিজে পাৰ হয় আনকো তেনেদৰে জীৱন নৌকাত বহুৱাই পাৰ কৰায়। মন্দিৰাই যোগ্যতা অনুসৰি যোগ্যস্থান পাইছে, তেওঁ কঠিন কৰ্ম অনুযায়ীহে এই স্থান দখল কৰিছে। তুমি আৰু উচ্চস্তৰলৈ যোৱা তাৰেই কামনা কৰিছোঁ। আৰু দহগৰাকী নাৰীৰ আদৰ্শ হোৱা আৰু সাৰ্থক হোৱাৰ কাৰণে কিছু মহত্ত্বপূৰ্ণ পৰিকল্পনা হাতত লোৱা। নিজক আগবঢ়াই নিয়া আৰু আনক আগবঢ়াই নিয়াই যাতে তোমাৰ কৰ্তব্য আৰু নীতি হয়।

ফোন ঃ ৭০৮৬৮-৭২৭৭০

**...উচ্চ** শিক্ষাগ্ৰহণ কৰি কিছু বছৰ তেওঁ এন আৰ চি এম আৰু সৰ্বশিক্ষা মিছনত উচ্চ পদবীত চাকৰি কৰে যদিও পৰৱৰ্তী সময়ত স্বাৱলম্বিতাৰ বাবে মন মেলে। ৰুণাৰ মতে, ‘ উদ্যোগৰ সৌন্দৰ্য হৈছে স্বাৱলম্বী, স্বাধীনতা। সেয়ে তেওঁ স্বাৱলম্বী হিচাপে কিবা এটা কৰাৰ মানসেৰে ২০১৯ চনত চাংসাৰিৰ সমীপৰ আলবৈত আঠ বিঘা মাটি লীজত লয়। ইয়াৰ সমান্তৰালভাৱে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ জৰিয়তে এক পশুপালন সম্পৰ্কীয় প্ৰকল্প প্ৰস্তুত কৰি বেংকৰ পৰা ঋণ **লয়...**

## গাহৰি পালনেৰে অনন্য আদৰ্শ

# ডিব্ৰুগড়ৰ ৰুণা ৰফিকৰ চাংসাৰিত স্বাৱলম্বনৰ সংগ্ৰাম



**অসম** মাংস উৎপাদনৰ অন্যতম লাভজনক উদ্যোগ হিচাপে চিহ্নিত হৈছে। যদিও অসমত মাংসৰ যথেষ্ট চাহিদা আছে তাৰ পাছতো ৰাজ্যখনত মাংসৰ উৎপাদন আশাপ্ৰদ হৈ উঠা নাই। তাৰ অন্যতম কাৰণ হ’ল এই সম্ভাৱনাময় ক্ষেত্ৰখন দখলৰ বাবে অসমীয়া লোকৰ আগ্ৰহহীনতা। বিশেষকৈ ব্যৱসায়িক মাংস উৎপাদনৰ ক্ষেত্ৰত আজিও অসম পিছপৰি আছে। এনে সময়তে মাংস উৎপাদনক ব্যৱসায়িক ৰূপ দি ওলাই আহিছে এগৰাকী উদ্যমী মহিলা ৰুণা ৰফিক। অসমৰ প্ৰথম মুছলমান মহিলা গাহৰি পালক হিচাপে চিহ্নিত ৰুণা ৰফিকে গাহৰিৰ সম্পৰ্কীয় প্ৰকল্প প্ৰস্তুত কৰি বেংকৰ পৰা ঋণ লয়।

ইয়াৰ পাছত ৰুণাই এখন গাহৰি পাম প্ৰাৰম্ভিক পৰ্যায়ত আৰম্ভ কৰে। অৱশ্যে তেওঁ এই গাহৰি পামখন উন্নত জাতৰ গাহৰি পোৱালি উৎপাদনৰ বাবেহে কৰিছিল। পামখনত মতা-মাইকী মিলি পঞ্চাশটা গাহৰি ৰাখি তাৰ পৰা পোৱালি উৎপাদন কৰি সেইবোৰ গাহৰি পালকৰ মাজত বিক্ৰী কৰা হৈছিল। এগৰাকী মুছলমান মহিলা হৈও গাহৰি পালনৰ দৰে কামেৰে স্বাৱলম্বিতাৰ যাত্ৰা আৰম্ভ কৰা সন্দৰ্ভত ৰুণা ৰফিকে কয়—‘গাহৰিৰ মাংসৰ চাহিদা অসমত সৰ্বাধিক। অসমত ঘৰুৱাভাৱে বহু পৰিয়ালে গাহৰি পোহে যদিও গাহৰিৰ ব্যৱসায়িক পালন আজিও গা কৰি উঠা নাই। যিহেতু এইখন এখন সম্ভাৱনাময় বাণিজ্যিক ক্ষেত্ৰ, সেয়ে ইয়াত ধৰ্মৰ কথা নাই। মই মোৰ পৰিয়াল আৰু অসমীয়া সমাজৰ পৰা ধৰ্মনিৰপেক্ষতা শিকিছোঁ আৰু সেই আদৰ্শৰে কামত আগবাঢ়িছোঁ। অৱশ্যে প্ৰথম অৱস্থাত তেওঁ যথেষ্ট সফল হৈছিল যদিও পৰৱৰ্তী সময়ত লকডাউনৰ বাবে কিছু সমস্যাত পৰে। আনহাতে ২০২২ চনত তেওঁৰ কেইবাটাও ডাঙৰ গাহৰি ৰোগাক্ৰান্ত হৈ মৃত্যুমুখত পৰে। অৱশ্যে তাৰ পাছতো তেওঁ হাৰ মনা নাই। পুনৰ নতুনকৈ গাহৰি আনি এতিয়া পৰ্যন্ত চলাই আছে গাহৰি ফাৰ্মখন।

আনহাতে তেওঁ গাহৰিৰ লগতে চলাই আছে জৈৱিক পদ্ধতিত ব্ৰইলাৰ ফাৰ্ম। এই সম্পৰ্কত ৰুণা ৰফিকে কয়—‘ব্ৰইলাৰ মাংসৰ বাবে যিহেতু পোহা হয় সেয়ে ইয়াৰ মাংস সকলোৱে খাব পৰা হ’ব লাগে। ব্ৰইলাৰৰ মাংস উৎপাদনত প্ৰায়ভাগ ব্যৱসায়িক পালকে অত্যধিক এণ্টিবায়’টিক আৰু ৰাসায়নিক ঔষধ প্ৰয়োগ কৰে। যাৰ বাবে ব্ৰইলাৰৰ মাংস স্বাস্থ্যগতভাৱে খাদ্য অনুপযোগী হৈ পৰে। আজি বিভিন্ন উন্নত দেশত অৰ্গেনিক ব্ৰইলাৰ পালনত গুৰুত্ব দিয়া হৈছে। সেয়ে মই এই কামটো বাছি ল’লোঁ। ৰুণা ৰফিকে অসমত অৰ্গেনিক ব্ৰইলাৰ ফাৰ্মৰ নতুন ধাৰণা এটা অসমত সৃষ্টি কৰি স্বাস্থ্যসন্মত ব্ৰইলাৰৰ মাংস গ্ৰাহকক ঘৰতে যোগানৰ ব্যৱস্থা কৰিছে। তেওঁ প্ৰকাশ কৰা অনুসৰি এনে মাংসৰ চাহিদা যথেষ্ট আছে। কোনোধৰণৰ এণ্টিবায়’টিক বা ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ নকৰাকৈ ৰুণাই পৰীক্ষামূলক ব্ৰইলাৰ পালনত সফল হৈছে। ৪৫ দিনত তেওঁ দুই কিলোগ্ৰামকৈ এটা ব্ৰইলাৰত গড়ে ওজন লাভ কৰিছে, যিটো স্বাভাৱিক বৰ্ধন হিচাপে চিহ্নিত হৈছে।

ৰুণাই তেওঁৰ ফাৰ্মত গাহৰি পালন, জৈৱিক ব্ৰইলাৰ পালনৰ লগতে স্থানীয় কুকুৰা, হাঁহ আৰু ছাগলী পালনো সমান্তৰালভাৱে চলাই আছে। ব্ৰইলাৰৰ বাবে মাকৈ, ছয়াবিন আদি ক্ৰয় কৰি নিজাকৈ বেছিভাগ দানা প্ৰস্তুত কৰে, ছাগলীৰ বাবেও ঘাঁহৰ খেতি কৰিছে। গাহৰিবোৰৰ বাবে স্থানীয় কৃষকৰ পৰা ধানৰ মল ক্ৰয় কৰাৰ লগতে ফাৰ্মতে বিভিন্ন উদ্ভিদ ৰোপণ কৰিছে। আঠ বিঘা মাটিত সমন্বিতভাৱে গাহৰি, ব্ৰইলাৰ, হাঁহ, স্থানীয় কুকুৰা, ছাগলী পালন কৰি এতিয়া ৰাজ্যৰ অন্যতম স্বাৱলম্বী নাৰী হিচাপে পৰিচিত হৈ পৰিছে ৰুণা ৰফিক।

□ উৎপল কুমাৰ কলিতা

তেওঁ মাংস যোগানৰ বাবে দুটা ব্ৰেণ্ডৰ সৃষ্টি কৰিছে। তেওঁৰ প্ৰথমটো ব্ৰেণ্ড ‘শৰাইঘাট ফাৰ্ম’ৰ জৰিয়তে পোনপটীয়াভাৱে মাংস যোগান ধৰাৰ লগতে ‘ধোৱাচাং’ নামৰ ব্ৰেণ্ডৰ জৰিয়তে প্ৰচেছিং মাংস যোগান ধৰা হয়।

উৎপাদন আৰু বজাৰ সম্পৰ্কত ৰুণা ৰফিকে প্ৰকাশ কৰা মতে, অসমত উৎপাদন আছে, কিন্তু বজাৰ উৎপাদকে নিজে ধৰিব পৰা নাই বা ধৰিবলৈ প্ৰয়াস নকৰে। যাৰ বাবে উৎপাদকে উচিত মূল্যৰ পৰা বঞ্চিত হয় আৰু লাভান্বিত হয় মধ্যভোগীসকল। সেয়ে আমাৰ উৎপাদকসকলে পোনপটীয়াভাৱে বজাৰ দখলৰ প্ৰয়াস কৰিব লাগে। ইয়াৰ বাবে প্ৰথম অৱস্থাত কিছু কষ্ট হ’লেও এবাৰ বজাৰত সোমাই ল’ব পাৰিলে সহজ হৈ পৰিব। তেতিয়াহে উৎপাদকসকল লাভান্বিত হ’ব। অসমৰ মহিলা স্বাৱলম্বনৰ ক্ষেত্ৰতো গুৰুত্ব দি তেওঁ ইতিমধ্যে আলবৈত থকা শৰাইঘাট ফাৰ্মৰ চৌহদতে ‘শৰাইঘাট পাম প্ৰশিক্ষণ আৰু গৱেষণা প্ৰতিষ্ঠান’ নামৰ এটা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিছে। এইক্ষেত্ৰত হাতে-কামে গাহৰি পালন, আৰ্গেনিক ব্ৰইলাৰ পালনৰ লগতে পশুপালনৰ বিভিন্ন দিশৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। ইতিমধ্যে ইয়াত প্ৰশিক্ষণ লৈ কেইবাগৰাকী উদ্যমীয়ে পশুপালন ক্ষেত্ৰখনত জড়িত হৈ স্বাৱলম্বিতা গঢ়িবলৈ সক্ষম হৈছে।

ৰুণাই প্ৰকাশ কৰা অনুসৰি তেওঁ গ্ৰাম্য মহিলাসকলকো নিজৰ লগতে অৰ্থনৈতিকভাৱে শক্তিশালী কৰিব বিচাৰে আৰু যুৱপ্ৰজন্মক এক শক্তিশালী কৃষি আৰু পশুধন সংস্কৃতি বিকাশ কৰিবলৈ অনুপ্ৰাণিত কৰিব বিচাৰে। সেয়ে এই প্ৰশিক্ষণ কেন্দ্ৰটো স্থাপন কৰা হৈছে। তেওঁৰ মতে, অসম্ভৱ বুলি কোনো কথা জীৱনত নাথাকে যদি মনত কিবা এটা কৰাৰ হেঁপাহ থাকে, তেন্তে সেয়া বাস্তৱত ৰূপায়িত কৰিবলৈ অসুবিধা নাথাকে।

ৰাজ্যৰ এগৰাকী উদ্যমী মহিলা হিচাপে পৰিচিত ৰুণাই কয়, অসমত যথেষ্ট মাটি আৰু পৰিৱেশ আছে, কিন্তু অসমত কষ্ট কৰা মানুহ কম। আমি কষ্ট কৰিবলৈ আগবাঢ়ি আহিব লাগিব। চাকৰিমুখী প্ৰৱণতা আৰু সহজে পোৱা ধনৰ আকৰ্ষণে জাতিটোক নিশকতীয়া কৰি নি আছে। আমাৰ প্ৰতিগৰাকী মহিলা, প্ৰতিজন যুৱক-যুৱতীয়ে সেয়ে মনত কাম কৰাৰ স্পৃহা জাগ্ৰত কৰি স্বাৱলম্বিতাৰ ক্ষেত্ৰখনলৈ আগুৱাই আহক।’ এইদৰে বিভিন্ন বিভাগত উচ্চ পদবীত চাকৰি কৰিও শেষত নিজে স্বাৱলম্বী হোৱা আৰু আনকো স্বাৱলম্বী কৰিবলৈ চাকৰি এৰি স্বনিৰ্ভৰশীলতাক আঁকোৱালি লোৱা ৰুণা ৰফিক আজি হৈ পৰিছে স্বাভিমান, স্বাৱলম্বিতাৰ প্ৰতীক।

ফোন ঃ ৯৩৯৪৯-২২৫২৭

---

## গল্প

# শ্লীপিং পিল



**—দেউতা** মোৰ আঙুলিটো শ্লীপিং পিলৰ টেমাটোতে থাকিল। লৈ আহাচোন, মই গল্প এটা লিখিব লাগে।

মোৰ সোঁহাতৰ তৰ্জনী আঙুলিটো কেতিয়াবা মই বিচাৰি নাপাওঁ। কিবা এটা লিখাৰ পৰত দেখো হাতত মাত্ৰ চাৰিটা আঙুলি। তাতে আকৌ তৰ্জনী আঙুলিটো নাথাকিলে মোৰ হাতৰ বুঢ়া আঙুলিটোৰো শক্তি নাইকিয়া হৈ যায়। বুঢ়া আঙুলি আৰু তৰ্জনী আঙুলিটো দুয়ো বৰ শক্তিশালী যদিও ইটো সিটোৰ ওপৰত নিৰ্ভৰশীল। সেইবাবে তৰ্জনী নাথাকিলে বুঢ়াই মোহ-মায়া ত্যাগ কৰি হৰিৰ নাম লৈ থাকে।

আচলতে এই তৰ্জনী আঙুলিটোৰ বাবে মোৰ বৰ দিগদাৰ হয়। কিবা এটা কাম কৰোঁ বুলি কৰিব নোৱাৰোঁ, কিবা এটা লিখোঁ বুলি লিখিব নোৱাৰোঁ, কিবা এটা কওঁ বুলি ক’ব নোৱাৰো—

কিবা এটা কওঁ বুলি ক’ব নোৱাৰো?

এৰা, কওঁ বুলিলেই ক’ব নোৱাৰোঁ। এই সক্ষমতাখিনিৰ বাবেইতো তৰ্জনীয়ে পলাই ফুৰে মোৰ হাতখনৰ পৰা। মোৰ কণ্ঠ মোৰ হাতত আছে। সেয়ে তৰ্জনী আঙুলিটোৱে নিজৰ শক্তিক লুকুৱাই ৰাখিবলৈ মোৰ পৰা পলাই ফুৰে।

‘বুঢ়া আঙুলিৰ বৰ বুদ্ধি চপাই আঁটি ধৰে

তৰ্জনীৰ তৰ্জন-গৰ্জন কোনে সহিব পাৰে।’

সেইবাবেইতো মৰণ। ইহঁতৰ এই শক্তিখিনিৰ বাবে সময়বোৰ অসহনীয় হৈ যায়। তৰ্জনী আৰু বুঢ়া আঙুলিটোৰ বাবেই মই কেতিয়াবা বিপদত পৰিম বুলি ইহঁতৰ ভয় হয়। কাৰণ বাস্তৱক তুলি আনিব পৰাকৈ এই আঙুলি দুটা বৰ শক্তিশালী।

কেইদিনমান আগত এটা কবিতা লিখোঁ বুলি কাগজ-কলম উলিয়াই লৈ দেখিছোঁ মোৰ হাতত তৰ্জনী আঙুলিটো নাই। মই আকৌ আঙুলিটো বিচাৰি আনি মোৰ কণ্ঠৰ বাবে হাজিৰাত লগালোঁ।

তৰ্জনী আঙুলিটোৱে নিজৰ কাম কৰাত লাগিল ঠিকেই, কিন্তু কবিতাটো লিখিবলৈ আৰম্ভ কৰাৰ আগত আঙুলিটোৱে মোক ক’লে—

‘নিজৰ কণ্ঠক ইমানো শক্তিশালী হ’বলৈ নিদিবা যে এদিন তোমাৰ এই শক্তিখিনিৰ বাবেই তুমি বিপদৰ মুখ দেখিবলগীয়া হ’ব।’

তৰ্জনী আঙুলিটোৱে কোৱা এই কথাষাৰ আজিও মোৰ কাণত বাজি থাকিল।

মোৰ হাতৰ তৰ্জনী আঙুলিটোৰ যেন কাৰো লগত কোনো সম্পৰ্ক নাই, ক’ত কি ঘটি আছে সেইবোৰক লৈ কোনো লেনা-দেনা নাই। কেৱল আঙুলিটো মোৰ হাতৰ পৰা আঁতৰি গৈ শ্লীপিং পিলৰ টেমাটোত সোমাই বাৰে বাৰে পিল এটা উলিয়াই আনিবলৈ যত্ন কৰি থাকে। এখন জেচিবিৰ দৰে। সেই পিলটো মোৰ শৰীৰলৈ পঠিয়াই দিয়াৰ বাবে আপ্ৰাণ চেষ্টা কৰে মোৰ তৰ্জনী আঙুলিটোৱে। মই প্ৰতিদিনেই এটাকৈ শ্লীপিং পিল খাওঁ। শ্লীপিং পিল খালে মই চলি থাকিব পাৰোঁ। কিন্তু তৰ্জনী আঙুলিটোৱে নোৱাৰে, অনবৰতে ছটফটাই থাকে। বাৰে বাৰে শ্লীপিং পিলৰ টেমাটোত সোমায় আৰু এটা পিল আনি মোৰ হাতত দিব খোজে।

আৰু এটা শ্লীপিং পিল।

আৰু এটা শ্লীপিং পিল।

শ্লীপিং পিলটো খালে যে মোৰ ভাল টোপনি আহে বা ভাল টোপনি আহিবলৈয়ে যে মই পিলটো খাওঁ এনে নহয়। সাৰে থকা সময়খিনিতো টোপনি ভাব এটা যে থাকে, সেইখিনিৰ বাবে শ্লীপিং পিলটো খাবলৈ মই কোনোদিনেই নাপাহৰোঁ। সাৰে থকাৰ সময়তো টোপনি টোপনি ভাব এটা যে লগতেই থাকে, সেয়া মই খুব ভাল পাওঁ। একো ভাবিব নোৱাৰি যে। কি যে সুখকৰ সময় এয়া। লাহে লাহে জঠৰ হৈ অহা মগজুৰ শক্তিখিনিৰ পৰা আৰম্ভ কৰি শৰীৰটো লেহুকা হৈ কেৱল টোপনিকে বিচাৰি থকা এই সময়খিনি মোৰ বাবে খুব আৰামদায়ক।

টোপনিয়াই থকা সময়খিনিতেই মই কিজানি খুব শান্তিত জীয়াব পাৰোঁ। মাত্ৰ সেই সময়খিনিতেই মই মোৰ পৰা আঁতৰি থাকিব পাৰোঁ। মাত্ৰ সেই সময়খিনিতেই মই মোৰ বাবে অপৰিচিত হৈ ৰ’ব পাৰোঁ।

লাহে লাহে জঠৰ হৈ অহা মোৰ হাত দুখন,
লাহে লাহে লেহেমীয়া হৈ অহা মোৰ খোজবোৰ,
মৰহি অহা মোৰ চিন্তা কৰিব পৰা শক্তিখিনি।

এইখিনিৰ বাবেই শ্লীপিং পিল দিনে এটাকৈ খাব কেতিয়াও নাপাহৰোঁ।

মোৰ হাত দুখন লাহে লাহে জঠৰ হৈ অহাৰ লগে লগে মোৰ কণ্ঠও কিছু সময়ৰ বাবে ৰুদ্ধ হৈ পৰে। কণ্ঠই যেতিয়া অচল হৈ পৰে তেতিয়া আৰু আনৰ জগৰ লগোৱা কথা কোৱাৰ অৱকাশেই বা ক’ত। বিতৰ্ক। বিতৰ্কৰ পৰাও মুক্ত।

কণ্ঠ মোৰ ৰুদ্ধ।

লাহে লাহে লেহেমীয়া হৈ আহে মোৰ খোজবোৰ। পলমকৈ উপস্থিত হওঁ আভিজাত্যৰ সমদলত, মিথ্যাৰ সত্যতা প্ৰতিপন্ন কৰিবলৈ কাঠগৰাত মোক উঠোৱা নহয়। কাৰণ মোৰ খোজ লেহেমীয়া। মোৰ খোজ লেহেমীয়া হৈ অহাৰ আগত মোৰ শৰীৰৰ অংগ-প্ৰত্যংগবোৰো অচল হৈ আহে। অচল হৈ অহা শৰীৰটোৱে মনত নাৰাখে দানৱৰ খহটা হাতৰ স্পৰ্শ, শৰীৰৰ মাপ লোৱা দানৱীয় তীক্ষ্ণ চকুবোৰৰ পৰিচয়।

শৰীৰ মোৰ অচল।

খোজ মোৰ লেহেমীয়া।

চিন্তাশক্তিৰ তীক্ষ্ণতাই কুটি কুটি খাবলৈ এৰি দিয়ে। তাৰ পিছত বুকুৰ ধপ্‌ধপ্‌নিবোৰ কমি আহে। হাঁওফাঁও বোলা বুকুৰ মোনা দুখনে উশাহবোৰ গিলি থ’ব পাৰে। উশাহবোৰ গভীৰ হয়। আৱেগবোৰে মোক চুব নোৱাৰে। ভাববোৰ-দুশ্চিন্তাবোৰ শুকুলা কোমল ডাৱৰ হৈ উৰি যায়, মোৰ পৰা আঁতৰলৈ।

মোক কুটি খাবলৈ এৰে।

□ লুকুমা আইজনী

মোৰ তৰ্জনী আঙুলিটোৱে এই সকলোবোৰ জানে আৰু এয়াও জানে যে এদিন নহয় এদিন মোৰ কণ্ঠই মোৰ গতিক ঘপিয়াইহে এৰিব।

মোৰ ছটফটনি দেখি তৰ্জনী আঙুলিটোৱে মোৰ হাতত আৰু এটা শ্লীপিং পিল তুলি দিবলৈ ছটফটায়।

এটা শ্লীপিং পিল খালে মই সাৰে থাকোঁ। অগ্নিৰ ফোঁৱাৰাবোৰ লাহে লাহে শান্ত হৈ অহা মই অনুভৱ কৰোঁ। মই অনুভৱ কৰোঁ বাবেই মোৰ উশাহবোৰ জুয়ে পোৰে।

মই আকৌ ছটফটাব খোজোঁ, কিন্তু ছটফটাব নোৱাৰোঁ। শৰীৰটো যে অচল হৈ আছে। ছটফটনিটো অনুভৱ কৰিব পৰাকৈ সাৰে থাকোঁ বাবেই তৰ্জনী আঙুলিটোৱে আকৌ এটা শ্লীপিং পিল মোৰ হাতত তুলি দিব খোজে। কিজানি দুটাকৈ পিল খালে মই ভালকৈ টোপনি যাব পাৰোঁ।

কিন্তু এই যে এটা শ্লীপিং পিল খালে সাৰে থকা সময়খিনিত টোপনি টোপনি ভাব এটা অনবৰতে লাগি থাকি মগজুটোক সম্পূৰ্ণকৈ সক্ৰিয় হৈ থাকিবলৈ নিদিয়ে, এইখিনিৰ বাবেই প্ৰতিদিনেই শ্লীপিং পিল একোটা গিলা পৰ্বটো মোৰ প্ৰিয় হৈ পৰিছে।

মাজে মাজে মন গ’লেই কিবা এটা লিখিব খোজোঁ, কিন্তু লিখিবলৈ হাততহে শক্তি অলপো নাথাকে। লিখাৰ সময়ত প্ৰায়েই তৰ্জনী আঙুলিটোক শ্লীপিং পিলৰ টেমাটোৰ ভিতৰৰ পৰা উলিয়াই আনিবলগীয়া হয়। সেয়ে কিবা এটা লিখোঁ বুলি ভাবিও থমকি ৰওঁ।

ছিঙি পৰাৰ পিছত কিছু সময়লৈকে ছটফটাই থকা জেঠীৰ নেজডাল দেখিছেনে আপোনালোকে? বৰ্তমান ঠিক তেনেদৰেই মোৰ পঢ়া টেবুলত দেউতাই বিচাৰি আনি থৈ যোৱা মোৰ তৰ্জনী আঙুলিটোৱেও ছটফটাই আছে।

‘দেউতা আজি গধূলি বজাৰলৈ বুলি ওলাই যাওঁতে লগত মোৰ প্ৰেচক্ৰিপচনখনো লৈ যাবাচোন টোপনিৰ দৰবকেইটা শেষ হ’বৰ হৈছে।’

তৰ্জনী আঙুলিটো হাতখনত লগাই লৈ হাতত থকা অকণমান শক্তিৰেই এ-ফৰ ছাইজৰ কাগজখনত ঠিক মাজমানত লিখিবলৈ আৰম্ভ কৰিলোঁ।

গল্পৰ শিৰোনাম
—শ্লীপিং পিল

সন্ধিয়াৰ এন্ধাৰএটোপালমান মোৰ সন্মুখৰ খিৰিকীখনেৰে সোমাই অহাৰ পৰত মোৰ গল্পটো লিখা শেষ হ’ল। মোৰ ছটফটনিবোৰ কমিছে এতিয়া। গল্প লিখাৰ ছটফটনি। ক’ব খোজা সকলো কথা ক’ব পাৰিম বুলি ভাবি মোৰ পৰা পলাই ফুৰা তৰ্জনী আঙুলিটোৰ ছটফটনি। বক্ বক্‌কৈ উতলি অহা শাৰীৰিক যন্ত্ৰণাৰ অচল ছটফটনি।

অচল-অৱশ হৈ টেবুলখনৰ পৰা উঠি আহি দেউতাৰ ফোনটো লৈ মেইল কৰি পঠিয়াই দিলোঁ, এইমাত্ৰ লিখি শেষ কৰা কেঁচা তেজৰ চেঁকুৰা লাগি থকা গল্পটি।

এইমাত্ৰ লিখি শেষ কৰা গল্পটি পুনৰ পঢ়ি চোৱা নহয়। আকৌ এবাৰ যদি পঢ়ি চাওঁ ক’ত কথা যে মচি পেলাম তাৰ হিচাপ নাথাকিব।

গল্প এটা লিখাৰ পৰত যিমান সাহসী হৈ থাকো, দ্বিতীয়বাৰ গল্পটো পঢ়ি চাই তাৰ কণ্ঠক দুৰ্দান্ত কৰি তোলাৰ সাহসিকতা নাথাকে।

কাহানিও কোৱা নহ’ব বুলি ভবা কথাবোৰ কেতিয়াবা নিজৰ পৰা লুকাই-চুৰকৈ লিখি পেলাঁও বাবেই মই এবাৰ লিখি উঠাৰ পিছত সেই গল্পটি দুনাই পঢ়ি নাচাওঁ।

সেয়ে বাপেকে পঠিয়াই দিলোঁৱে কাকতলৈ।

গল্পটিৰ প্ৰাণ প্ৰতিষ্ঠা কৰাৰ যজ্ঞ শেষ হ’ল।

তথাপি—।

শৰীৰত যে অকস্মাৎ পিনে বিন্ধাৰ দৰে এটা বিষ হয়। ঠিক তেনেকুৱাকৈয়ে মোৰ মাজত এক উকমুকনিৰ সৃষ্টি হ’বলৈ ধৰিলে। তেতিয়ালৈ এন্ধাৰৰ সৰু সৰু টোপালবোৰ ডাঙৰ হ’বলৈ ধৰিছিলেই। দেউতাই এন্ধাৰৰ টোপালবোৰৰ ওজন জুখি, বাহিৰৰ গ্ৰীলখনত তলা লগাই থৈ আহিলে। সৌ দূৰত কুকুৰৰ জয়াল চিঞৰবোৰ ভাহি আহি মোৰ কাণত পৰিছে। লগতে মোৰ কাণত আহি পৰিছে মোৰ গল্পটোৰ চিঞৰ—

‘মোক তুমি ন্যায় দিব নোৱাৰিলা। গল্প হিচাপে তোমাৰ পৰা যিখিনি দাবী কৰাৰ অধিকাৰ মোৰ আছিল সেইখিনি দাবী কৰিবলৈ নিদিলে তোমাৰ এই তৰ্জনী আঙুলিটোৱে। তুমি গল্পকাৰ হিচাপে মোক ন্যায় দিব নোৱাৰিলা।’

পিনে বিন্ধা বিষটোৰ দৰে কথাষাৰে মোৰ কাণখনত কুটকুটাই থাকিল।

গতিকে তাৰ পৰা পৰিত্ৰাণ বিচাৰি সম্পাদকলৈ মেইল কৰিলোঁ—

‘শ্ৰদ্ধাৰ সম্পাদক মহোদয়, নমস্কাৰ গ্ৰহণ কৰিব। আপোনাৰ দ্বাৰা সম্পাদিত কাকতলৈ ‘শ্লীপিং পিল’ শীৰ্ষক গল্পটি পঠিয়াইছিলোঁ যদিও সেই গল্পটিক লৈ মই নিজেই সুখী হ’ব পৰা নাই। গতিকে সেই প্ৰকাশৰ বাবে বিবেচিত নকৰে যেন।

গল্পটি পুনৰ সম্পাদিত ৰূপত প্ৰেৰণ কৰিবলৈ মই আগ্ৰহী।

পুনৰ শ্ৰদ্ধাৰে—’

পোহৰৰ অসাৰতা অনুভৱ কৰি ক্ষণ গণি থাকোঁতে থাকোঁতে গল্পটিয়ে কেতিয়াও সম্পাদনাৰ মুখ নেদেখিলে।

শ্লীপিং পিলে ক্ৰমে মোৰ স্নায়ুতন্ত্ৰক অসাৰ কৰি আনি আছে।


এতিয়া মোৰ তৰ্জনী আঙুলিটোও অসাৰ হৈ পৰি থাকিবলৈ লৈছে।

এতিয়া কণ্ঠ মোৰ সঁচাকৈয়ে ৰুদ্ধ।

ফোন ঃ ৯১০১২-১৭৯৯১

---

## কবিতা



### এজাক বৰষুণৰ বৰ প্ৰয়োজন

□ মধুছন্দা গগৈ

এজাক বৰষুণৰ বৰ প্ৰয়োজন।

নদীকাষৰীয়া পুৰণি চালিখন
আৰু আমি।
উৰুখা চালেৰ সৰকা টোপাটোপ পানী
আৰু আমি।

নৈপৰীয়া বতাহ আৰু বৰষুণজাক,
উমাল শৈশৱত মুখৰ
হাঁহিৰ ধেমেলীয়া কৌতুক।
দুভৰি জোকাৰি খেদি দিয়া বোৱঁতী সময়ৰ
ধাৰ।

উদং পকেটৰো থাকে চহকী মন।
উৰুখা চালিতো উমি উমি জ্বলে চেনেহৰ
উত্তাপ।
হেঁপাহ, আবদাৰে গিজগিজাই থকা
তাহানিৰ কেঁচা পিৰালিটো--
বেৰত আওজাই থোৱা পিতাইৰ
পুৰণি চাইকেলখন;
খৰিৰ জুইকুৰাৰে আইৰ ভাত-শাকৰ চৰুটো
আৰু, বুঢ়ী আইৰ তামোলৰ খুন্দনাৰ খট্ খট্
শব্দবোৰ!!

বুকুখন অনাথ নোহোৱা দিনবোৰত যে...
উজানে বয় মৰমৰ মাত।
হেঁপাহে কৰ্ষণ কৰা
আমাৰ দিন
আমাৰ দোভাগ।

ত্বৰিত সময় হেৰা!
এতিয়া ছেৱে ছেৱে
কেৱল ভোগবাদৰ সন্ত্ৰাস!
প্ৰেমৰ নাচোনত নকঁপে তৰুণীৰ
উন্মাদ বৰষুণৰ ভাঁজ লগা নাচ।

ফোন ঃ ৮০১১৭-৯৫৪১১

### ধাৱমান

□ চিৰঞ্জীৱ জৈন

ঘন অৰণ্যত অনাই-বনাই
ভ্ৰমিছোঁ অনেক কাল
কি যে এক সুবাস
আমোল-মোলোৱা

পাহৰিছোঁ ভোক
পাহৰিছোঁ পিয়াহ

ৰৈ ৰৈ বাজে
চেতনাত মাথোঁ
কস্তুৰী সংগীত

সুদূৰৰ পৰা
ভাহি আহে
বাঘৰ গোঁজৰণি
গা চুই উৰি যায়
এটি দুটিকৈ
বন পখিলাৰ জাক

মই মাথোঁ দৌৰিছোঁ
আৰু দৌৰিছোঁ
যতিহীনভাৱে
যিমানেই ওচৰ চাপিছোঁ
সুবাস যেন
ধাৱিত হৈছে
দূৰলৈ আৰু দূৰলৈ।

ফোন ঃ ৯৮৬৪১-৬৫১৫৯

### জীৱন

□ জ্যোতিস্মিতা বৰা

**জী**
জীয়া কলিজাৰ সোৱাদ বিচাৰি
এদিন জন অৰণ্যক সুধিছিলোঁ,
ক’ত আছে ৰক্তৰ বজাৰ... (?)
উৰণীয়া সেতুৰ পৰা চিঞৰি উঠাত
প্ৰতিধ্বনিত হৈছিল পাহাৰৰ ধূসৰতাত
এটি প্ৰত্যুত্তৰ
কোন তই জীৱশ্ৰেষ্ঠ তেজপিয়া...(?)
মই...।
মই যদি তেজপিয়া
মোৰ ভিক্ষাৰ শূন্য পাত্ৰত বিহৰ সোৱাদ,
মুখাৰ আঁৰৰ মুখবোৰ
উশাহৰ শেষ অৱসাদ।

**ৱ**
‘ৱৰ্ডছ অৱ কাইণ্ডনেছ’
পিছে আজি নিদাৰুণ মন
জীয়াই থকাৰ হেঁপাহত
শেষ হোৱা মালিতাৰ
ছন্দবিহীন গীতৰ লহৰ।
বিভামুখী সপোনক ধূলিসাৎ কৰি
আগুৱাইছে হিয়াৰ কিয়দংশ
পদূলিত সন্ধ্যাবোৰেও ভয়তে চিঞৰিছে
মানৱপুৰীৰ বিভৎস কাণ্ডত।

**ন**
নিম্নগাৰ উপকূলত বিচৰিত কৰি
ফুৰিছে এজাক জ্যোতিৰিংগ
বৈতৰণীৰ পাৰত ‘জীৱন-মেলা’ বহিছে
হৃদয়ৰ বৰ মূল্য।
নদীৰ বালিচৰত বহি আকাশ ধিয়াই থকা
মাছৰোকাজনীয়ে ওঁঠ পখালি পেলাইছে
এদিনৰ বাবেও দয়ালু হোৱাৰ স্বাৰ্থত
আকাশলৈ তাই উৰা মাৰিছে।
ক্ৰমশঃ মানৱতাৰ ধোঁৱাচাঙত উঁই হাফলুৰ
সৃষ্টি হৈছে।

ফোন ঃ ৮৪৭৪৮-৯৪৫৩৬

# সুকন্যা
দেওবৰীয়া


দেওবাৰ, ৩ নৱেম্বৰ ২০২৪


সপ্তাহটোৰ আলোকচিত্ৰ



মডেল ঃ প্ৰিয়ংকা তালুকদাৰ
ফটো ঃ ড’লী তালুকদাৰ

# ৰেচিপি



## বেচনৰ লাড়ু

**উপকৰণ ঃ**
বেচন একাপ
চেনিৰ গুড়ি আধা কাপ
চুজি ২ টেবুল চামুচ
ঘি ১/৩ কাপ
কাঠ বাদাম ১৫/২০টামান
ইলাচি গুড়ি ১/৩ চাহ চামুচ

**প্ৰণালী ঃ** কাঠ বাদামখিনি সৰু সৰু টুকুৰা কৰি ল’ব। কেৰাহীত ঘিখিনি গলিবলৈ দি তাতে বেচনখিনি দি লৰাই দিব। তাৰ পিছত তাতে চুজিখিনি দি জুই কম কৰি প্ৰায় ১৫-২০ মিনিটমান সময় ভাজিব। বেচন আৰু ঘিৰ ধুনীয়া সুগন্ধিওলাই কেৰাহীত বেচনৰ পৰা ঘি এৰি বলৈ ধৰিলে গেছৰ জুই নুমুৱাই দিব। এতিয়া বেচনখিনি কাঁহী এখনত ঢালি তাতে ইলাচিৰ গুড়ি আৰু গুড়ি চেনিখিনি দি ভালদৰে মিহলাব। বেচনখিনি লাড়ু বান্ধিব পৰাকৈ ঠাণ্ডা হ’লে তাতে ঘি এক টেবুল চামুচ দি ভালদৰে মিহলাই বেচনৰ লাড়ুবোৰ এটা এটাকৈ বনাই যাব। লাড়ুখিনি বনাই হোৱাৰ পিছত পেষ্টাৰে সজোৱা হৈছে। আধা ঘণ্টামান সময়ৰ পিছত বেচনৰ লাড়ুখিনি ধুনীয়া টান হৈ পৰিব। বেচনৰ লাড়ু প্ৰস্তুত হৈ গৈছে। এতিয়া চাহৰ লগত পৰিৱেশন কৰক। এয়াৰ টাইট কনটেইনাৰত ভৰাই কেইবাদিনো খাব পাৰিব।

## কালাকান্দ

**উপকৰণ ঃ** গাখীৰ এক লিটাৰ
এক লিটাৰ গাখীৰৰ চানা
চেনি আধাকাপ
ইলাচি গুড়ি আধা চাহ চামুচ
কাঠ বাদাম ৬-৭টা মান



**প্ৰণালী ঃ** চানা বনাবৰ বাবে প্ৰথমতে মই এক লিটাৰ আমূল টাজা গাখীৰ উতলাই গেছৰ জুই নুমুৱাই দিছোঁ। তাৰ পিছত এক টেবুল চামুচ ভিনেগাৰ দি গাখীৰখিনি ফটাই অলপ সময় ৰাখিছোঁ। পাত্ৰ এটাৰ ওপৰত ষ্টীলৰ চেকনি এখন ৰাখি ওপৰত কটন কাপোৰ এখন পাৰি চানাখিনি ঢালি ভালদৰে খচি ধুই লৈছোঁ। তাৰ পিছত চানাখিনি কাপোৰখনেৰে বান্ধি চেকনিখনৰ ওপৰত ৰাখি পানী নিগৰাই লৈছোঁ।

তাৰ পিছত কাপোৰৰ টোপোলাটোৰ পৰা চানাখিনি উলিয়াই প্লেট এখনত ৰাখি চামুচেৰে হেঁচি মিহি কৰি ল’ব লাগিব। এতিয়া ননষ্টিক কেৰাহী এখন জুইৰ ওপৰত দি তাতে গাখীৰ এক লিটাৰ দি উতলিবলৈ দিব। মাজে মাজে লৰাই গাখীৰখিনি ডাঠ হোৱালৈকে উতলাব। গাখীৰখিনি উতলি আধা হৈ পৰিলে চানাখিনি গাখীৰখিনিৰ ওপৰত ঢালি ভালদৰে লৰাই থাকিব। চানা আৰু গাখীৰৰ মিশ্ৰণটো অলপ ডাঠ হৈ পৰিলে চেনিখিনি ঢালি ভালদৰে লৰাই থাকিব। গাখীৰ আৰু চানাৰ মিশ্ৰণটো শুকাই ডাঠ হোৱালৈকে লৰাই থাকিব লাগিব। মিশ্ৰণটো বেছি ডাঠ হোৱা যেন দেখিলে ইলাচিৰ গুড়িখিনি দি লৰাই দিব। চানা আৰু গাখীৰৰ মিশ্ৰণটো শুকাই কেৰাহীৰ পৰা এৰিবলৈ ধৰিলে গেছৰ জুই নুমুৱাই দিব। এতিয়া কেকটিন এটাত বাটাৰ পেপাৰ পাৰি তাতে চানা আৰু গাখীৰৰ মিশ্ৰণটো ঢালি হেতাৰে সমান কৰি দিব আৰু ওপৰত মিহিকে কুটি লোৱা কাঠ বাদামখিনি দি প্ৰায় চাৰি ঘণ্টামানৰ বাবে একাষে থৈ দিব। চাৰি ঘণ্টামান সময়ৰ পিছত কেকটিনটোৰ পৰা বাটাৰ পেপাৰখন লাহেকৈ উলিয়াই আনি টেবুলৰ ওপৰত ৰাখিব। দেখিব মিঠাইখিনি ধুনীয়াকৈ চেট হৈ টান হৈ পৰিছে আৰু কালাকান্দ মিঠাই প্ৰস্তুত হৈ গৈছে। এতিয়া ছুৰী এখনৰ সহায়ত একে জোখত কালাকান্দখিনি কাটি প্লেটত ৰাখি পৰিৱেশন কৰিব পাৰিব। ঘৰত প্ৰস্তুত কৰা এই মিঠাইবিধ হোটেলত বনোৱাৰ দৰেই খাবলৈ বৰ সোৱাদ হয়।




❑ পম্পী শৰ্মা খাউণ্ড
ফোন ঃ ৯৮৫৯৭-৬১৮১২


## কুইজ বিচিত্ৰা-বাৰ


❑ নৰকান্ত বৈশ্য


**১৯৬২** চনৰ ২৪ ডিচেম্বৰত ভূপেন হাজৰিকা আৰু তেওঁৰ সংগীসকলে এখন তথ্যচিত্ৰ নিৰ্মাণৰ কামত অৰুণাচলৰ কামেং সীমান্তৰ যুদ্ধক্ষেত্ৰলৈ যাত্ৰা কৰিছিল। তেওঁলোকে গৈ ‘টেঙাভেলী’ত শ্মশানৰ নীৰৱতা দেখা পাইছিল আৰু ছেদেলি-ভেদেলি হৈ কেউপিনে পৰি থকা দেখিছিল অসংখ্য ভাৰতীয় জোৱানৰ ক্ষত-বিক্ষত মৃতদেহবোৰ। ‘জেনেভা কনভেনচন’ৰ নীতি অনুসৰি যুদ্ধক্ষেত্ৰৰ জোৱানৰ মৃতদেহ সৎকাৰ কৰাৰ সামান্য সভ্যতাখিনিও প্ৰদৰ্শন কৰা নাছিল সেই চীনা সৈন্যই। টেঙাভেলীত দেখা একে দৃশ্যকেই তেওঁলোকে ব’মডিলাতো দেখা পাইছিল। দেশৰ বাবে প্ৰাণ দিয়া আমাৰ জোৱানসকলৰ মৃতদেহবোৰ দেখি তেওঁৰ কলিজাৰ পৰা নিগৰি ওলাইছিল সেই অমৰ গীত— ‘কত জোৱানৰ মৃত্যু হ’ল, কাৰ জীৱন-যৌৱন গ’ল, সেই মৃত্যু অপৰাজেয়, তেনে মৃতক নহ’লোঁ মই কিয়?’

আগন্তুক ৫ নৱেম্বৰত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ মৃত্যু দিৱস উপলক্ষে আমাৰ আজিৰ শিতানত তেওঁৰ জীৱন আৰু কৰ্মৰ ভিত্তিত কিছু তথ্য আগবঢ়োৱা হৈছে।

কুইজৰ বাতৰি তথা যিকোনো তথ্য প্ৰকাশৰ বাবে আমাৰ শ্ৰদ্ধাৰ পাঠকসকলে ৮৬৩৮৩-৭৮৩৬৯ ম’বাইল নম্বৰত এছ এম এছ বা হোৱাট্‌ছএপযোগে অথবা quizbichitra@gmail.com ই-মেইলযোগে প্ৰেৰণ কৰিব পাৰে।

### সংবাদ শিৰোনাম

১. কিছুদিন আগতে কোনবিধ দুষ্প্ৰাপ্য প্ৰাণীৰ উপস্থিতিৰ বাবে মানাহ ৰাষ্ট্ৰীয় উদ্যানে সংবাদ শিৰোনাম দখল কৰিছিল?
২. শেহতীয়াভাৱে কোনখন দেশে ‘ডংফেং-২৬’ নামৰ শক্তিশালী মিছাইলবিধ নিৰ্মাণ কৰি বাতৰিৰ শিৰোনাম দখল কৰিছে?
৩. কোনখন ভাৰতীয় ৰাজ্যই কিছুদিন আগতে 'Writers Village' নামৰ এক সাংস্কৃতিক প্ৰকল্প স্থাপন কৰিছে?
৪. অলপতে ভাৰতীয় সাংস্কৃতিক সমন্বয় সংস্থাই কোন দেশত বৌদ্ধ ভিক্ষুসকলৰ এখন সন্মিলনৰ আয়োজন কৰিছিল?
৫. কোনখন ভাৰতীয় ৰাজধানী চহৰত কিছুদিন আগতে All India Civil Defence and Home Guardsৰ অধিৱেশন আয়োজিত হৈছিল?

### সুধাকণ্ঠ বিশেষ

১. ১৯৮১ চনত ভূপেন হাজৰিকাই Along the River Brahmaputra নামৰ অসম পৰ্যটনৰ বিষয়ক এখন তথ্যচিত্ৰ পৰিচালনা কৰিছিল। এই তথ্যচিত্ৰখনৰ সহকাৰী পৰিচালক কোন আছিল?
২. ২০১৮ চনৰ ৩০ অক্টোবৰত হাৰ্পাৰ কলিন্স ইণ্ডিয়া প্ৰকাশিত কোনখন গ্ৰন্থৰ প্ৰথম শাৰীটো হৈছে— I was Seventeen, he was Forty five?
৩. ভূপেন হাজৰিকাই সংগীত পৰিচালনা কৰা কোনখন হিন্দী ছবি ১৯৯৩ চনৰ অস্কাৰৰ শ্ৰেষ্ঠ বিদেশী ভাষাৰ ছবি শিতানলৈ প্ৰেৰিত ভাৰতীয় ছবি আছিল?
৪. এখন বিশেষ তালিকাত স্থান লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় যদি সত্যজিৎ ৰায় আৰু শেহতীয়াগৰাকী যদি ড° ভূপেন হাজৰিকা হয়, তেন্তে তালিকাখন কি?
৫. ভূপেন হাজৰিকাৰ বলীউড অভিষেক ছবি ‘আৰোপ’ৰ সুমধুৰ গীত ‘নেইনো মে দৰ্পন হ্যেয়...’ শীৰ্ষক গীতটিৰ গীতিকাৰ কোন আছিল?

### কুইজ বিচিত্ৰা (এঘাৰ)ৰ উত্তৰসমূহ

১. ইণ্ডোনেছিয়া।
২. পাহাৰ আৰু ভৈয়ামৰ জনগোষ্ঠীৰ মিলা-প্ৰীতি।
৩. ড° এছ সোমনাথ।
৪. সমৰ্থক।
৫. সংবিধান মহিমামণ্ডন অভিযান।
৬. শিৱাকাচী।
৭. স্বৰ্ণ মন্দিৰ, অমৃতসৰ।
৮. ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস।
৯. ‘পেইৰোঁ মে বন্ধন হ্যেয়’।
১০. শ্ৰীকৃষ্ণই নৰকাসুৰৰ ওপৰত বিজয় সাব্যস্ত কৰা উপলক্ষে।
১১. সেই বছৰ তেওঁলোকে আলফ্ৰেড নোবেলে নিজৰ উইলত উল্লেখ নকৰা ‘অৰ্থনীতি’ৰ নোবেল বঁটা স্থাপন কৰিছিল।

### সপ্তাহটোৰ প্ৰশ্ন

২০২৩ চনৰ ৩ ফেব্ৰুৱাৰীৰ দিনা youtubeযোগে মুক্তিপ্ৰাপ্ত তথা বিশাল ভৰদ্বাজ পৰিচালিত ‘ফুৰচট’ নামৰ হিন্দু ৰোমাণ্টিক চুটি ছবিখনৰ বিশেষত্ব কি?

## শব্দ চয়ন ঃ ১৪

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১ | ■ | ■ | ■ | ■ | ২ | | ৩ | | ৪ |
| ৫ | ৬ | | | | | ■ | | ■ | |
| ■ | | ■ | ■ | ■ | ■ | ■ | | ■ | |
| ৭ | | | ■ | ৮ | ■ | ৯ | ■ | ■ | ■ |
| | ■ | ■ | ১০ | | ■ | ১১ | | ■ | ১২ |
| | ■ | ১৩ | | ■ | ১৪ | | ■ | ■ | |
| ■ | ■ | ■ | | ■ | | ■ | ১৫ | ১৬ | |
| ১৭ | ■ | ১৮ | ■ | ■ | ■ | ■ | ■ | | ■ |
| | ■ | | ■ | ১৯ | | | | | ২০ |
| ২১ | | | | | ■ | ■ | ■ | ■ | |

**থিয়কৈ ঃ**
১। মানা কৰা (২)
২। খাগৰি জাতিৰ তৃণ (২)
৩। ঔষধত ব্যৱহাৰ হোৱা এবিধ সুগন্ধি জলা গুটি (৩)
৪। সাপৰ মোট (৩)
৬। প্ৰাচীন কালত যুদ্ধত ব্যৱহাৰ কৰা মুদ্‌গৰৰ নিচিনা অস্ত্ৰ বিশেষ (৩)
৭। গৰাকী (৩)
৮। হাতৰ বা ভৰিৰ আঙুলিৰ মূৰত হাড়ৰ দৰে টান বাঢ়ি অহা ভাগ (২)
৯। জপনা (৩)
১০। সেনাৰ জুম বা দল (৩)
১২। বাদছাহৰ আমোলৰ মুছলমান শাসক (৩)
১৪। চিপৰাং (২)
১৬। মুছলমানসকলে ডাঙৰক কৰা সম্বোধন (৩)
১৭। মানী লোকক কৰা সন্মান, শ্ৰদ্ধা (৩)
১৮। গণ্ডপ (৩)
১৯। এজনী ৰাক্ষসী (২)
২০। শুনা ইন্দ্ৰিয় (২)

**পথালিয়ে ঃ**
২। নতুনকৈ ওপজা শিশু (২+৩)
৫। ডাঙৰ আৰু বহল (৩+৩)
৭। ৰামচন্দ্ৰ (৩)
১০। কৰঙন আৰু তলপেটৰ মাজৰ চুক (২)
১১। কঁকালত পিন্ধা নিচেই ঠেক কাপোৰ (২)
১৩। নৈ আদিৰ দাঁতিত বেহা বেপাৰৰ কৰ সংগ্ৰহ কৰা ঠাই (২)
১৪। এনেই পোৱা সুবিধা (২)
১৫। অসন্তোষ, খং (৩)
১৯। ভালকৈ নমনা (৩+৩)
২১। কামৰ পৰা অনুপস্থিত থকা কাৰ্য (২+৩)

© দৰ্শনী

## শব্দ চয়ন ঃ ১৩ৰ উত্তৰ

**থিয়কৈ ঃ** ১। কলা-কৌশল ৩। ৰহিমলা ৪। লগ ৫। ৰমা ৬। ৰংঘৰ ৮। শতপত্ৰ ১১। ঘৰ ১৪। জহামাল ১৫। কাম ১৭। ক্ষত-বিক্ষত ১৮। অতিপাত ২০। লিংকৰি ২২। মাল ২৩। লাং।

**পথালিকৈ ঃ** ২। চাকৰ ৪। লৰচৰ ৭। গমা ৯। শকত ১০। লাঘৱ ১২। ভূৰ ১৩। পৰ ১৬। জহা ১৮। অলি ১৯। কামলি ২১। মাৰুত ২২। মালা ২৪। তহিলং ২৫। ৰিকাপি।

# উজ্জ্বল দাগবিহীন ছালৰ টিপ্‌ছ



**উজ্জ্বল,** দাগবিহীন ছালৰ গৰাকী হ’বলৈ ছালৰ প্ৰয়োজনীয়তাসমূহ উপলব্ধি কৰা প্ৰয়োজন। সেয়েহে কিছু যত্ন লৈ আপুনি ছালখন সুন্দৰ কৰি ৰাখিব পাৰে।

**সৌন্দৰ্যৰ ৰহস্য**
সুন্দৰ দেখিবলৈ হ’লে সকলোতকৈ প্ৰথমে ছালৰ স্বাস্থ্যৰ যত্ন লওক। ধুনীয়া দেখিবলৈ হ’লে প্ৰথমে ছালখনৰ ওপৰত গুৰুত্ব দিয়ক।

**যথেষ্ট পৰিমাণে পানী খাওক**
সুন্দৰ ছালৰ বাবে নিয়মীয়াকৈ যথেষ্ট পৰিমাণে পানী খাওক। ইয়াৰ ফলত শৰীৰত পানীৰ ভাৰসাম্য থাকিব আৰু ছালখন সতেজ দেখা যাব। লগতে শালমনৰ সমস্যা নোহোৱা হ’ব।

**মুখমণ্ডল দুবাৰ ধুব**
ছালৰ সুৰক্ষাৰ বাবে সদায় দুবাৰকৈ মুখ ধুব। চাৰিওফালৰ পৰিৱেশত জমা হৈ থকা ধূলি, মাটি আদি ছালৰ নোমৰ গুৰিত সোমাই যায় আৰু ফলত ছালে ভালদৰে উশাহ ল’ব নোৱাৰা হয়। ফলত ছালত ফোঁহা হ’ব পাৰে।

**ছালত মইশ্বৰাইজৰ লগাব**
যেতিয়াই মুখ ধোৱে তেতিয়াই মইশ্বৰাইজৰ লগাবলৈ পাহৰি নাযাব। ইয়াৰ ফলত ছালৰ উজ্জ্বলতা বৰ্তি থাকিব আৰু ছাল কোমল আৰু যৌৱনদীপ্ত দেখা যাব।

**ছানস্ক্ৰীন লগাব**
গৰমেই হওক বা ঠাণ্ডাই হওক ঘৰৰ পৰা বাহিৰ ওলোৱাৰ আগতে প্ৰথমে ছানস্ক্ৰীন লগাব। ছানস্ক্ৰীনে সূৰ্যৰ পৰা নিগৰিত হানিকাৰক কিৰণৰ পৰা ছালক ৰক্ষা কৰে। ইয়াৰ ফলত মুখমণ্ডলত বয়সৰ ছাপ নপৰে।

**প্ৰসাধন আঁতৰাবলৈ নাপাহৰিব**
ৰাতি শোৱাৰ পূৰ্বে প্ৰসাধন আঁতৰাবলৈ নাপাহৰিব। ৰাতি শোৱাৰ পূৰ্বে প্ৰসাধন ভালকৈ নাতৰালে ছালে উশাহ ল’ব নোৱাৰা হয়। দীৰ্ঘসময়ৰ বাবে ৰসায়নযুক্ত প্ৰসাধন লগোৱাৰ বাবে ছালৰ বিভিন্ন ৰোগ হ’ব পাৰে।

**বাৰে বাৰে থেড্ৰিং নকৰিব**
কম সময়ৰ ব্যৱধানত থ্ৰেডিং কৰিলে চেলাউৰিৰ বিকাশ ৰুদ্ধ হ’ব পাৰে। তদুপৰি বাৰে বাৰে থেড্ৰিং কৰাৰ বাবে চকুৰ ওপৰৰ ছালখন ঢিলা হৈ পৰে আৰু চকুৰ কাষত বয়সৰ ছাপ পৰে।

**সৌন্দৰ্য খাদ্য**
ছালখন বাহিৰৰ পৰা তেতিয়াহে সুন্দৰ দেখা যায়, যেতিয়া ছালখন ভিতৰৰ পৰা স্বাস্থ্যৱান হয়। ছালখনক ভিতৰৰ পৰা ধুনীয়া দেখিবলৈ ভিটামিনযুক্ত খাদ্য খাব লাগে।

**ব্লুবেৰিজ**
ব্লুবেৰিজত যথেষ্ট পুষ্টি থাকে। ইয়াত থকা এণ্টি অক্সিডেণ্টে ছালক উজ্জ্বল কৰে।

**কণী**
পৰিষ্কাৰ আৰু মসৃণ ছালৰ বাবে সদায় এটাকৈ কণী খোৱাৰ অভ্যাস কৰক। কণীত থকা প্ৰ’টিনে ছালৰ দাগ নোহোৱা কৰাত সহায় কৰে।

**শুকান ফল**
সতেজ ফলৰ লগতে দৈনিক খাদ্য তালিকাত শুকান ফলো অন্তৰ্ভুক্ত কৰক। শুকান ফলত যথেষ্ট পৰিমাণে ভিটামিন থাকে। সেইবোৰ সেৱন কৰিলে ছালৰ ৰং উজ্জ্বল হৈ পৰে।

**তেলীয়া মাছ**
যদি আপোনাৰ ছালখন নিস্তেজ দেখা যায়, তেন্তে তেলীয়া মাছ খাওক। ইয়াত ওমেগা ৩ ফেটি এচিড প্ৰচুৰ পৰিমাণে পোৱা যায়, যিয়ে ছালৰ ৰং উন্নত কৰে আৰু ইয়াক যৌৱনদীপ্ত কৰি ৰাখে।

**পনীৰ**
কটেজ চীজ যালৰ বাবে অতি গুৰুত্বপূৰ্ণ খাদ্য। কটেজ চীজত চেলেনিয়াম প্ৰচুৰ পৰিমাণে পোৱা যায়। ই ছালখন শুকান হোৱাৰ পৰা ৰক্ষা কৰে আৰু ছালৰ নিস্তেজ ৰং উজ্জ্বল কৰি তোলে।




প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ হৈ ভৱেশ চন্দ্ৰ ডেকাৰ দ্বাৰা বৰাগাঁও, গুৱাহাটী-৩৩, মৰাণ-ডিব্ৰুগড়, বিশ্বনাথ চাৰিআলি আৰু আগিয়া, গোৱালপাৰাৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত ❑ যোগাযোগৰ ঠিকনা ঃ নিউজ লাইভ বিল্ডিং, খ্ৰীষ্টানবস্তি, গুৱাহাটী- ৫
Published and Printed by Bhabesh Chandra Deka on behalf of Pride East Entertainment (P) Ltd. Boragaon-Guwahati, Moran-Dibrugarh, Biswanath Chariali, Agia-Goalpara, Office Address : News Live Building, Christian Basti, Guwahati-5, Executive Editor : Amal Das , Editor : Naresh Kalita
❑ ফোন ঃ গুৱাহাটী (০৩৬১) ২৩৪০৯০০/২৩৪১২০১/২৩৪১২০২ ❑ যোৰহাট ঃ (০৩৭৬) ২৩০০১৪৪ ❑ ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৬৭৬৮ ❑ ই-মেইল ঃ niyamiyabarta@gmail.com, বিজ্ঞাপন বিভাগৰ ই-মেইল ঃ niyamiyaadvt@prideeast.com
❑ কাৰ্যবাহী সম্পাদক ঃ অমল দাস ❑ সম্পাদক ঃ নৰেশ কলিতা